তাৰোপৰি যদি আমি প্ৰিন্টিং মেচিন নানো- তেনেহ'লে জনসাধাৰণৰ প্ৰতি অন্যায় কৰা নহবনে? আমাৰ দায়বদ্ধতা আছে। উপাধ্যক্ষা মহোদয়া, এইটো হ'ল গোটেই অসমৰ প্ৰতি জিলাৰ কথা, ১৯৯৮-৯৯ চনৰ কথা। সকলোবিলাক জিলাৰ কথা মই নকওঁ। অসমত ১৯৯৮-৯৯ চনত দি,আৰ,দি,এৰ আন্দাৰত কিমান টকা ৰিলিজ কৰিছিল? ৰিলিজ কৰিছিল ৫৪,৪০৯.৯৪ লাখ টকা। খৰচ কৰিছিল ৩১,২৬ লাখ টকা। আৰু আনস্পেন্ট আছিল ১৯,৩৮০ লাখ টকা। এই বাজেট অধিবেশন আৰম্ভ হওতেই এটা প্ৰশ্ন আহিছিল যে কিমান টকা পালে, কিমান টকা খৰচ হৈছিল আৰু কিমান টকা খৰচ নোহোৱাকৈ থাকিল? মন্ত্ৰী মহোদয়ে ক'লে এইটো এটা সুকীয়া প্ৰশ্ন। এতিয়া ১৯৯৭-৯৮ চনলৈ আহো। এইটো ১৯৯৭-৯৮ চনত পাইছিলো ২৫,৫৮.২৫ লাখ টকা আৰু খৰচ কৰা হ'ল ১৫,৩৮৬.৭২ লাখ টকা আৰু জমা থাকিল ১০,৪৭১,৫৩ লাখ টকা। এই যিটো মেনদেদ তাৰ পাৰচেনটেজ আছিল ৫৯.১৮ শতাংশ। এতিয়া পাৰচেচৰ ওপৰত কম। তাৰ আগতে এটা কথা কম যে, কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্দেশ দিছিল যে, টুলচ কিটচ বিলাক পাৰচেচ কৰিব নালাগে। কিন্তু পাৰচেচ কৰা হ'ল। যাৰ যি খুচি সেইমতে কিনিলে। তাৰ পিচত বিল বিচাৰি গৈ ক'লে মই অমুকৰ ৰিলেটিভচ ইত্যাদি। পি,দি চিলচৰে কলে মই দিব নোৱাৰো। তাৰ পাচতে মাৰামাৰি গন্দগোল আদি হ'ল। প্ৰিন্টিং যিটো হৈছে তাত টকা খৰচ হৈছে কিন্তু প্ৰিন্টিংৰ কাম ৫০ শতাংশও হোৱা নাই। প্ৰিন্টিংচৰ মেটেৰিয়েলচ গোদাম ভাৰা কৰি ৰখা হৈছে। তাত এইবিলাক নিগনিয়ে খাইছে, উঁই উঠিছে আৰু কাগজবিলাক পিচত বিক্ৰি কৰা হৈছে। এনেকুৱা অৱস্থা হৈছে। এতিয়া মই আহিছো পাৰচেচৰ কথালৈ। কিছুমান বস্তু পাৰচেচ কৰা হৈছে। Total Rs. 52, 75, 895 was

spent on purchase of looms from various parties. In some cases only Income Tax have been deducted but not sales tax. No beneficiary list, stock register copies of order etc. have been found. মই গোটেই অসমৰ কথা নকওঁ। নলবাৰী জিলাৰ কথা কম। সকলো জিলাৰ একেই পিকচাৰ। Purchase of sewing machines M/s Assam Syndicate for purchase of sewing machine against which the party billed Rs. 45,36,000. No stock register, beneficiary list or order copies have been found. The agency have made payment to various parties to the tune of Rs. 7,35,289 for purchase of sign boards. Purchase of STWs and seeds, the Agency have made payment, as depicted in the final accounts of this programe. However, under what component, these have been approved by GB ? এই বিলাক নলবাৰীত খৰিদ কৰিছিল। A total amount of Rs. 42,72,000 was refunded by 5 blocks of Nalbari district. Funds released under EAS during 1997-98 for blacktopping of PWD roads. What amount has been refunded by the block is not known. However, it is observed that Madhupur Block has pent an amount of Rs. 3,31,308 against 2 schemes under EAS during 1997-98 and refunded only Rs. 2,81,000 to the Agency.

ইয়াতে আমাৰ গয়াৰী ডাঙৰীয়াই প্ৰশ্ন কৰিছিল। সেই প্ৰশ্নটো মোৰ লগত আছে। প্ৰশ্নটো আছিল মেটেৰিয়েলচ খৰিদ কৰিবলৈ দি,আৰ, দি, এৰ নৰ্মচ ভায়োলেট কৰা হোৱা নাছিল নে ? মন্ত্ৰীয়ে ক'লে নহয়। আজি ইয়াত কি হৈছে। নলবাৰীত ইয়াৰ দ্বাৰা নৰ্মচ ভায়োলেট কৰা হোৱা নাইনে ? আজি গয়াৰি ডাঙৰীয়া থকা হলে ভাল আছিল, কিন্তু তেখেত আজি নাই। এই গোটেই বিলাক নলবাৰী জিলাৰ। এবাৰ ৬০ লাখ, এবাৰ ২৮৩ লাখ, এই ৯ লাখ ৪৭ হাজাৰ টকা তাৰে ৰিলিজ কৰিলে ৪২ লাখ টকা। ৩৩ লাখ টকা বেছি হ'ল। গড়কাপ্তানি ৰাস্তাৰ ক্ষেত্ৰতো বহুত দুৰ্নীতি দেখা যায়।

## Expenditure under Schemes of Metalling and Black-topping of PWD Roads

19 nos, of MT & BT of PWD Roads Schemes under 7 Blocks for EAS 1997-98 with a total estimated amount of Rs. 139.83 lakhs and 21 nos. of such schemes with extensions

under 8 Blocks for EAS 1998-99 with a total estimated amount of Rs. 123.78 lakhs was approved by Governing Body as informed to us. Funds were released to Blocks in 1997-98 and recalled back as noted above During the year under audit, a total amount of Rs. 60,19,539/- have been expended by the Agency under the sctivity, i.e., paid to Construction Committees in cash for 11 nos. of 1997-91 schemes and 3 nos. of 1998-99 schemes, out of which 2 schemes of 1998-99 and 1 scheme of 1997-98 under Pub-Nalbari Dev. Block was completed and full of the estimate amount after deducting contingencies (3% of EA) and value of Bitume supplied was paid amounting. মেটেলিংৰ হিচাপটো কি হ'ল, এবাৰ পালে ১৩৯.৮৩ লাখ, এবাৰ ১২৩.৭৮ লাখ। মুঠ ২৬৩.৬১ লাখ। ইয়াৰে খৰচ হ'ল ৬০.২৫ লাখ টকা। বাকী ২০০.৬ লাখ কলৈ গ'ল? বিটুমেন কিনা হ'ল ১২.৩৫ লাখ টকাৰ। ৰাস্তাটো কিন্তু ১৯৯৭-৯৮ চনতে সম্পূৰ্ণ হোৱা দেখুৱালে কিন্তু বিটুমেন্ট খৰিদ কৰিছে ১৯৯৯ চনত। এই বিলাক মজাৰ কথা নহয় নে ?

আমি জনাত গোটেই অসমৰ ভিতৰত নলবাৰী জিলাতে বেছি শিক্ষিত মানুহ আছে কিন্তু তাতেই শতকৰা ৯৯ জনে হাতেৰে টিপচহী মাৰিব নোৱাৰি ভৰিৰ বঢ়া আঙুলিৰে ছাপ দিছে।

এতিয়া মই হাইলান্দিৰ কথা কব খুজিছোঁ। একেটা সংখ্যা কেবা ঠাইতো প্ৰিন্টিং হৈছে। পেট্ৰোল কিনিছে ৭০,৯/৬০, জে,আৰ ওৱাই ২লাখ ১০ হাজাৰ টকা ইয়চত ৪১ হাজাৰ মুঠ ৩৬৮ হাজাৰ টকা গাড়ী মেৰামতি বাবদ প্ৰথমে ৪৫ হাজাৰ জে,আৰ, ওৱাই,ই,এচ আদিত মুঠ ১ লাখ ৩ হাজাৰ টকা তাৰ পিচত আই,আৰ,ডি,পি, আদি বিভিন্ন শিতানত মুঠ ৭ লাখ ৩ হাজাৰ টকা টেলিফোন চি,এ, বিলৰ নামত ২ লাখ ৬৮ হাজাৰ খৰচ কৰিছে। আমাৰ মন্ত্ৰী সভাৰ মন্ত্ৰী সকলৰ তুলনাত বিষয়া সকলে চি,এ বিলত সীমাহীন খৰচ কৰিছে। আই, আৰ,ডি,পি,জে,আৰ,ওৱাই বিভিন্ন শিতানত ১ লাখ ৩৯ হাজাৰ টকা খৰচ কৰিছে। এতিয়া প্ৰশ্ন হৈছে এই মহকুমাত গাড়ী কেইখন আছে। আমি জনাত এটা বা দুটা আছে। কিন্তু গাড়ীৰ নামত পেট্ৰল আৰু মেৰামতিৰ নামত ১ বছৰতে যিমান টকা খৰচ কৰিছে সমান দামৰ নতুন গাড়ী কিনিব পৰা গ'লহেতেন।

উপাধ্যক্ষা মহোদয়া, আপোনাৰ মনত আছে নিশ্চয় আপুনি কমেন্ট কৰিছিল মই মাথো মনত কৰি দিছো চি,আই,চি. চিমেন্ট চেইলৰ পৰা কিনা কথা আছিল, কিন্তু কিনা নহ'ল। এতিয়া যিবোৰ চি,আই,চিত কিনিছে সেইবোৰ ধুমুহাতচিঙি যায়। সিদিনা এই বিষয়টোৰ ওপৰত সদনত কব খুজোতে হাউচত হুলস্থুল লগাইছিল। সিদিনা মুখ্যমন্ত্রীয়ে কৈছিল অনুসন্ধান কৰা হব, কিন্তু আজি মুখ্যমন্ত্রী সদনত উপস্থিত নাই। অনুসন্ধান কৰা হলে ভাল আছিল।

তাৰ পিচত গম নাপালো তদন্ত হ'লনে নাই ? অৱশ্যে তদন্ত হ'লে মন্ত্রী ডাঙৰীয়াৰ পৰ্টফলিও নাথাকিলহেঁতেন। এটা কথা স্বীকাৰ কৰিব লাগিব। He is very much faithful and obidient to our Chief Minister. He is very nuch blind towards the interest of the Chief Minister and vice-versa. তেখেত সকলৰ অন্তৰত আঘাট কৰিছে যেতিয়া উঠাই লৈছো।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মন্ত্ৰীয়ে উত্তৰ দিওতে কব পাৰিব। এতিয়া উত্তৰ দিব নোৱাৰে।

মাননীয় উপাধ্যক্ষা ঃ তেখেতে যিটো শব্দ কৈছে সেইটো একসপাঞ্জ কৰিছো। এতিয়া মাননীয় সদস্য শ্ৰীদিলীপ শইকীয়া।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, সন্মানিত বিৰোধী দলৰ সদস্য সকলে যিটো ভৰ্ৎসনা প্ৰস্তাৱ আনিছে গ্ৰাম্য উন্নয়ণ মন্ত্ৰী ডাঙৰীয়াৰ বিৰুদ্ধে তাৰ তীব্ৰ বিৰোধীতা কৰিছো। ১৯৯১-৯৬ চনলৈ এই বিভাগটোত কি হৈছিল তাৰ কিছু নথি পত্ৰ সদনৰ মজিয়াত কাৰ্য বিৱৰনী এখন এখনকৈ পাঠ কৰি যাম তাৰ বাবে কিছু সময়ৰ দৰকাৰ হব।

Letter No. PDA. 181/92 dt. 18.9.92 ... letter from Shri A.R. Laskar, Deputy Secretary, Panchayat & RD (A) to the Director of Panchayat & RD. I quote the letter "I am directed to send herewith again copies of W.T. message No. PDA. 181/92/ 18 dt. 27.8.92 and No. PDB. 1029126-A dt. 7.8.92 with a copy of Assam Ordinance No. II of 1992 in respect of withdrawal of delegation of powers for recruitment, transfer etc. of staff under this department for your necessary action with a copy to Minister and Minister of State.

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ ১৯৯৬ চনৰ পিচৰ খিনি কওক। তাৰ আগৰ নহয়। ৰুলিং আছে ১৯৯২ চনৰ কথা কব নোৱাৰে।

---

* Speech not corrected

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ অৰাজপত্ৰিত পদ কনিষ্ঠ অভিয়ন্তা, নিম্ন বৰ্গৰ সহায়ক, গ্ৰাম সেৱক, টাইপিষ্ট আদি পোষ্ট সঞ্চালিকে নিযুক্তি দিয়ে। ৰাজপত্ৰিত পদ বিলাক চৰকাৰে দিয়ে। কংগ্ৰেছৰ দিনত এখন চিঠি যোগে সঞ্চালকৰ ক্ষমতা উইড্ৰ কৰিলে। কিন্তু নিযুক্তি দিছে উপ-সচিবৰ চিঠি।

Office order No. PDB. 297/90/Pt.I/50 dt. 19.9.92 from Deputy Secretary, Panchayat & RD. The order said that the order issued vide Directorate of Panchayat & RD Deptt's No. DRD. 2/21/90/247 dt. 1.9.92 is hereby cancelled'. সিমান বিলাক অৰাজপত্ৰিত নিযুক্তি দিছে সেই বিলাক চৰকাৰৰ ফালৰ পৰা কেন্সেল কৰিছে। সঞ্চালকৰ সংবিধান প্ৰদত্ত ক্ষমতা খৰ্ব্ব কৰিছে। এনেকুৱা অজস্ৰ নিযুক্তি দিছে। ১৯৯২ চনৰ ২৪ নবেম্বৰত ৩০ জন নিযুক্তি দিছে। ১৮ নবেম্বৰত দিছে। ৭ নবেম্বৰত দিছে ২৪ জন। এই বিলাক অবৈধ নিযুক্তি দিছিল। আমাৰ চৰকাৰৰ দিনত উপ-সচিবৰ তেনে নিৰ্দ্দেশ গ'লে মন্ত্ৰীক কম ৰিজাইন দিয়ক। ট্ৰাংক চাপ্লাইৰ ২৪ চেপ্তেম্বৰত হুকুম দিছিল। আচৰিত উপ-সচিবৰ ট্ৰাংক যোগান দিব পাৰে নেকি?

মাননীয় উপাধ্যক্ষা মহোদয়া, কি আচৰিত কথা উপ-সচিবেও ইয়াৰ পৰাই ডাইৰেক্ট ট্ৰাংক চাপ্লাই দিয়াৰ কাৰণে চাপ্লাই অৰডাৰ দিব পাৰে। .....vide letter No. PDA. 143/92/64 dt. 24.9.92 from Deputy Secretary, P&RD to M/S Assam Tin Centainers & Brass & Bell Metal Industries, Kahilipara, Guwahati. The letter said that "In an directed to request you to supply 6719 nos. of steel trunk of size 30 x 18 x 12" at the approved rate of Kamrup district Rural Development Agency, i.e. Rs. 516/ to 20 DRDA. কেৱল ট্ৰাংক চাপ্লায়েই নহয় অন্যান্য বস্তুয়ো চাপ্লাই দিয়াৰ কাৰণে চাপ্লাই অৰডাৰ দিছে। ডেপুটি চেক্ৰেটাৰীয়ে চাপ্লাই অৰডাৰ দিব পাৰে জানো? বিষয়টো মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই ভালকৈ কব পাৰিব। এই কামবিলাক দিষ্ট্ৰিক্টৰ কাম জিলা ভিত্তিত হব লাগে। এইয়া চাওক পাৰ্টিকুলাৰ ফাৰ্ম্ম বিলাকলৈ ডেপুটি চেক্ৰেটাৰীৰ পৰা চাপ্লাই অৰডাৰ গৈছে। চিঠি গৈছে। এতিয়া চাওক আমাৰ নিয়মবিলাক কোনে ভঙ্গ কৰিছে তাত চিঠিবিলাকত ইমিডিয়েট বুলি লিখা আছে। এই গোটেইখন পঢ়ি দিলে ২ ঘন্টা সময় লাগিব, গতিকে মই চমু কৰিলো। (সদনত হুলস্থুল পৰিৱেশ) আপোনালোকৰ দিনত কাম হোৱা নাই কিন্তু আমাৰ মৰ্চ্চা চৰকাৰৰ দিনত কাম যথেষ্ট হৈছে। এইটো মই ডাঠি কব পাৰো আমাৰ জিলা বিলাকত কাম ভাল হৈছে, এই কাম বিলাক কৰাৰ কাৰণে

* Speech not corrected

কোনে পলিচি লৈছে, আমাৰ জিলা বিলাকত গভাৰ্ণিং বডি আছে, তাত উপায়ুক্তকে ধৰি সংশ্লিষ্ট বিষয়া মাননীয় সদস্য সকল আৰু সাংসদ সকল আছে, তাত বিৰোধী পক্ষৰ সদস্য আৰু চৰকাৰ দলৰ সদস্যও থাকে, এই সকলো সদস্যকে লৈ গভাৰ্ণিং বডি বহে তাত কি কি আঁচনি লোৱা হব আৰু কি কি কাম হব সেই সম্পৰ্কত আলোচনা কৰি জি বিৰ এপ্ৰোভেল লোৱা হয় আৰু তাতেই সিদ্ধান্ত লোৱা হয়। গতিকেই জিলা ভিত্তিত কাম বিলাক ভাল হৈছে। এতিয়া অসম চৰকাৰে মণিটৰিং কমিটি গঠন কৰি দিছে। তাৰোপৰি ইএ, এচ ব্লক বিলাক কৰি দিয়া হৈছে, গতিকে কোনে কয় আমাৰ দিনত কাম হোৱা নাই। যদি বিৰোধী পক্ষৰ সদস্য সকলৰ সমষ্টিত কাম হোৱা নাই তেতিয়াহলে তাৰ কাৰণে তেওঁলোকেই ৰেচপোনচিবল। আমাৰ এলেকাত কাম হৈছে, আই, ওৱাই, ডব্লিউৰ ২০ হাজাৰ টকাৰ কাম হৈছে। অকল কাম হোৱাই নহয়, অসম অৰুণাচল সীমান্তৰ সংৰক্ষন কৰিব পাৰিছো। তাৰ পাছত গ্ৰীণ হাউচৰ কথা কোৱা হৈছে, এইটো আমাক লাগে, খবৰ পোৱা মতে এজন ব্যক্তিয়ে গ্ৰীণ হাউচৰ জৰিয়তে মাহে ৩ হাজাৰ টকা উপাৰ্জ্জন কৰিবলৈ সামৰ্থ্য হৈছে। হাইলাকান্দিতো খবৰ ললো তাতো ভাল কাম হৈছে বুলি জনাইছে। সেইদৰে শিলচৰতে যদি হোৱা নাই তেতিয়াহলে আমি সেই ঠাইবিলাক ভিজিট কৰিব পাৰিম। শতকৰা ১০০ ভাগ নহবও পাৰে কিন্তু বহুত খিনি কাম হৈছে। স্বয়ং শ্ৰীকৃষ্ণয়ো যদি মুখ্যমন্ত্ৰী হয় তথাপিতো শতকৰা ১০০ ভাগ হব নোৱাৰে, কিয়নো বৰ্ত্তমান অৱস্থাতো ভাল নহয়। কিন্তু বহু ঠাইত কাম হৈছে, আই,ওৱাই, ডব্লিউৰ কাম ভাল হৈছে। সেই কাৰণেই আমি আশা কৰিছো বিৰোধী পক্ষৰ সদস্য সকল আৰু আমি সকলোৰে লগ লাগি এই বিভাগটো কেনেকৈ অধিক সক্ৰীয়শীল কৰি তুলিব পাৰো তাৰ কাৰণে চেষ্টা কৰিব লাগে। এতিয়াও বিভিন্ন আঁচনি আহি আছে, আই,ওৱাই, ডব্লিউ আঁচনি চলি আছে আৰু এই কাম বিলাক গাইড লাইন দিয়া আছে। আনকি কম্পিউটাৰৰ কামো হৈছে। কোন কোন ব্লকত কি কি কাম হৈ আছে বা হোৱা নাই সেই বিষয়ে ডি.,আৰ,ডিৰ জৰিয়তে কম্পিউটাৰত মাননীয় সদস্য ৰায় ডাঙৰীয়া আৰু সিং ডাঙৰীয়াই জানিব পাৰিব। সেইদৰে ই.এ, এচ কমিটিয়ো আছে তাতো সিদ্ধান্ত লৈ বহুবোৰ কাম হৈছে। মাননীয় সদস্য সকলে গেগৰ ৰিপোৰ্টতো পঢ়িলেই জানিব পাৰিব। ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈকে কি কি কাম হৈছে বা হোৱা নাই সেই বিষয়ে জানিব পাৰিব।

এই গোটেই বিলাক কথা এই বিভাগৰ জৰিয়তে আমি জানিব পাৰো, মাননীয় সদস্য সকল নিশ্চয় দ্বিমত নহব বিশেষকৈ আমাৰ যি সকল বি,জে,পিৰ

মাননীয় সদস্য আছে তেখেতসকলেও দ্বিমত নহব কিয়নো আগতে আমাৰ যিটো কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা ৮০ শতাংশ আৰু ৰাজ্য চৰকাৰৰ যিটো শতকৰা ২০ শতাংশ আছিল সেইটো এতিয়া কেন্দ্ৰীয় চৰকাৰে শতকৰা ৭৫ শতাংশ আৰু ৰাজ্য চৰকাৰে শতকৰা ২৫ শতাংশ কৰিছে। কেন্দ্ৰীয় চৰকাৰে ৫ শতাংশ কমাই দিছে। গতিকেই আমি সকলো সদস্য, বিৰোধী দলৰ সদস্য সকলেও লগ লাগি এই যিটো ৫ শতাংশ কমাই দিছে সেইটো পুনৰ পৰীক্ষা কৰি আগৰ সিদ্ধান্তটোকে বাহাল ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেঁচা দিব লাগে। কিন্তু এটা কথা মন কৰিব লগীয়া হৈছে আজি কাৰোবাৰ জন্মদিন কাৰোবাৰ বিয়া আনকি ডি, ভি, আই, পি আহিলেও সেই ডি, আৰ, ডিকেই প্ৰয়োজন হয়, সকলোতে কেবল ডি, আৰ, ডি, এক লাগে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, ডি,আৰ,এ বিভাগটো সকলোতে লাগে - ভি,আই,পি আহিলে লাগে, চেন্ট্ৰেলৰ কোনোবা টিম আহিলে লাগে, কাৰোবাৰ ল'ৰা জন্ম হ'লে লাগে। আমি ইয়াত আজি ডি,আৰ,ডি বিভাগক গালি পাৰি আছো। বিয়া শ্ৰাদ্ধ আদি সকলোতে ডি,আৰ,ডি বিভাগক লাগে। এতিয়া ডি,আৰ,ডি বিভাগে কি কৰিব। আন ফালেদি দিল্লীকো পূজা কৰিব লাগে। মেখেলা চাদৰ, চাহপাত গামোচা বিলাক লাগে। বিয়া ফুটবল, সাহিত্যসভা আদিতো ডি,আৰ,ডি বিভাগক লাগে। আপোনালোকে চান্দা তোলাটো বন্ধ কৰক। এইটো ব্লক পৰ্য্যায়ৰ পৰা কৰিব লাগে। সেইটো নকৰি সকলোৱে ডি,আৰ,ডি বিভাগতহে চকু। সকলোকে চান্দা লাগে। পাতত পানী দিলে কি হব গুৰীত পানী দিয়ক। গুৰিত পানী দিলেহে বিভাগটো ভাল হব। কিছুমান অঞ্চলত ভাৰপ্ৰাপ্ত বি,ডি,অ আছে। সেই বিলাক ব্লকত পূৰ্ণ পৰ্য্যায়ৰ বি,ডি,অ দিব লাগে। অসমৰ সকলো বিলাক ব্লককে ই এ,এচ ব্লক কৰাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীক ধন্যবাদ জনাইছো। আমি সকলোৱে এই বিভাগটো আগবঢ়াই দিব লাগিব। ১ হেজাৰ খন স্কুল ঘৰ সাজিবলৈ কেন্দ্ৰীয় চৰকাৰে ব্লেকবৰ্ড অপাৰেচন আঁচনিত পঠাইছে। প্ৰত্যেক স্কুলে ১ লাখ ২০ হেজাৰ কৈ টকা পাব। বাকীখিনি প্ৰয়োজন হ'লে ৰাজ্য চৰকাৰে দিব। ডি,আৰ,ডি বিভাগত অনা ভৎৰ্সনা প্ৰস্তাৱ চেষ্টা উঠাই লবৰ কাৰণে অনুৰোধ জনালো। বিশেষ কৈ আজি প্ৰস্তাৱ লব লাগে যে বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰে ৭৫ শতাংশ আৰু ৰাজ্য চৰকাৰে ২৫ শতাংশ সেইটো ৮০:২০ শতাংশ বা ১০০ শতাংশ কৰিব লাগে। কাৰণ আমাৰ ৰাজ্যখন উগ্ৰবাদী সমস্যাৰে জৰ্জ্জৰিত বা অনুন্নত ৰাজ্য হিচাবে অগ্ৰাধীকাৰ দিব লাগে। আমাৰ দিনত বহুতো কাম হৈছে। নবেম্বৰ মাহৰ পৰাই ৰাস্তা বনোৱা কামত দুখীয়া লোক সকলক নিয়োজিত কৰা হৈছে। ই,এ,এচ স্কীমৰ জড়িয়তে বহুতো মানুহ উপকৃত হৈছে।

এই কথাটো আপোনালোক সকলোৱে স্বীকাৰ কৰা উচিৎ। সেই কাৰণে মননীয় সদস্যসকলক এই সুযোগতে ভৎর্সনা প্রস্তাৱটো উঠাই লবলৈ আহ্বান জনাই মোৰ বক্তব্য সামৰণী মাৰিলো।

Madam Deputy Speaker : Now, Hon'ble member Shri Bimalangshu Roy.

* শ্রীবিমলাংশু রয় ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আজ এই ভৎর্সনা প্রস্তাবের মাধ্যমে রাজ্যের পঞ্চায়ত এবং গ্রামোন্নোয়ন বিভাগের কার্য্যকলাপ সম্পর্কে আলোচনা করার যে সুযোগ পেয়েছি সেজন্য বিধান সভার প্রধান বিরোধী দল, কংগ্রেস দলকে আমি ধন্যবাদ জানাচ্ছি। কারণ এই ধরনের প্রস্তাব সদনে উত্থাপন করার জন্য যে সদস্য সংখ্যার প্রয়োজনতা বিরোধীদের মধ্যে কেবল কংগ্রেস দলেরই আছে। মহোদয়া, এই গ্রামোন্নোয়ন বিভাগের কার্য্যকলাপ আলোচনা করলে প্রত্যেকজন সদস্য - বিরোধী এবং শাসক দল উকলেই উপকৃত হবেন। কারন একমাত্র এই বিভাগ যে কেন্দ্র থেকে যথেষ্ট অর্থ বরাদ্দ পাচ্ছে এবং এই অর্থ যদি সদব্যবহার করা হয় তাহলে গ্রামের দরিদ্র জনসাধারনের জন্য যথেষ্ট কাজ করা সম্ভব। মহোদয়, আমার মনে পরে- আমি যখন ১৯৯৬ ইংতে প্রথম বিধায়ক হয়ে এসেছিলাম তখন এই ডি,আর,ডি এ বিভাগকে সাধারন লোকেরা 'দিনে রাতে ডাকাতির আখড়া' বলে উপহাসকরত। আমরা তখন আশা করেছিলাম যে বর্তমান সরকার কার্য্যভার নেওয়ার পর এই বিভাগের এই বদনাম ঘুচবে, এই বিভাগের কাজকর্ম ঘন্নত হবে। কারন তখন প্রথম প্রথম শিলচরের প্রকল্প সঞ্চালক গ্রেপ্তারও হয়েছিলেন দুর্নীতির দায়ে। কিন্তু আমরা অত্যন্ত দুঃখের সঙ্গে লক্ষ্য করেছি যে অৱস্থার কোনও ঘন্নতি হয়নি বরং আরও অবনতি হয়েছে। তদানীন্তন সরকারের আশীর্বাদ পুষ্ট সেই রামু গুলগুলিয়া এই সরকারের আমলেও বহাল তবিয়তে জাঁকিয়ে বসেগ্রামন্নোয়ন বিভাগের উপর ব্যাসা চালিয়ে যাচ্ছে অবশ্য এই সরকারের আমলে আরো একজন নতুন সংযোজনও শোনা যাচ্ছে যার নাম 'আরমান শেখ'। আমরা দেখতে পেলাম কেবল সরকার পরিবর্তন হয়েছে- অবস্থার কোনও পরিবর্তন হয়নি। এখনো এই বিভাগ সেই তালেই চলছে। বিশেষকরে আমি শিলচর পি,ডি অফিসের কথা বলতে পারি। সেখানকার বিধায়ক হওয়ার পরে অন্ততঃ চারবার এই অফিসের কর্মচারীরা স্থানীয় শাসক দলের সদস্যদের হাতে নিগৃহীত হয়েছেন। এই মাত্র তিনিদিন আগেও শিলচর পি,ডি অফিসে তিনজন কর্মচারীকে অফিসের মধ্যে কর্তব্যরত অৱস্থায় মারাত্মক ভাবে আহত করা হয়েছে। এই ঘটনা নিয়ে পুলিশ কেসও হয়েছে। অৱশ্য কেউ গ্রেপ্তার হয়েছে বলে এখনো শুনিনি। কারন অভিযোগ উঠেছে

* Speech not corrected

আক্রমনকারীরা বর্তমান শাসকদলের স্থানীয় সদস্য। মহোদয়া, এমনকি এই শাসকদলের একজন বিচায়কও শিলচর ডি,আর,ডি,এ অফিসে ঢুকে কর্মচারীদেরে মারধর করার অভিযোগ রয়েছে। আশ্চর্য্যের ব্যাপার হলো এসবের জন্য শাস্তি হয়না।

মহোদয়া, মাননীয় সদস্য শ্রীদিলীপ শইকীয়া মহোদয় তাঁর বক্তব্যে গঠনমূলক পরামর্শ দেবার জন্য আহ্বান আনিয়েছেন। আমি চেষ্টা করব যাতে কি ভাবে জনসাধারনের উপকারে আসে আলোচনার মাধ্যমে তেমন পরামর্শ দেবার।

মহোদয়া, আজ সদনে বি এ সির যে রিপোর্ট পেশ করা হয়েছে সেখানে ডি আর ডি এর টাকায় 'গ্রীন হাউস' নির্মানের ব্যাপারে বলা হয়েছে। It transpies to the Committee in course of discussion and spot visit that the project of Green House has not been submitted to Governing Body in the state for approval and also process in which the construction is made is found irregular. It is also not clarified whether the rate is an approved one and if so, who has approved the rate. Except in India other countries have rejected ploythene culture. Where as, if is encouraged by politicians and bureacrata in India. The Committee is, therefore, of the view that the application of Green House is completely uneconomical and also not viable. তদন্ত হয়েছে ডিসেম্বর ১৯৯৭ থেকে জানুয়ারী ৯৯ পর্যন্ত। তাই আমি বলবতে বাধ্য হচ্ছি যে এই বিভাগে দুর্নীতি যেমন আগেও চলেছিল এখনো চলছে। অতএব এই বিভাগের কাজকর্মের উন্নতি করা দরকার।

মহোদয়া, 'ইন্দিরা আবাস যোজনা'য় স্পষ্টভাবে কেন্দ্রীয় সরকারেরগ নির্দেশ আছে যে এই যোজনা কার্যকরী করার ব্যাপারে কোন মিডিলম্যানএর কোন ভূমিকা নাই, স্থান নাই। সেখানে যে বেনিফিসিয়ারিসে নিজে কাজ করবে, নিজে ঘর তৈরী করবে। আমরা গভার্নিং বডিতে বার বার এই সিদ্ধান্ত নিয়েছি। কিন্তু দুঃখের বিষয় কাজের সময় এই সিদ্ধান্তকে ব্যর বৃদ্ধাঙ্গুষ্ঠ দেখানো হচ্ছে। মহোদয়া, 'গ্রীন হাউস' প্রকল্প চালু না করার জন্য আমরা স্থানীয় ভাবে গভার্নিং বডিতে সিদ্ধান্ত নিয়েছি কিন্তু এই সিদ্ধান্তও অমান্য করে স্কীম কার্য্যকরী করার নামে অজস্র টাকা অপচয় করা হয়েছে। তাছাড়া হটাৎ করে আমরা দেখতত পেলাম ১৬ লক্ষ টাকা ব্যয় করে শিলচরে ফিশিং নেট আনা হয়েছে। এটা কিভাবে হলো কেন হলো কিছুই জানতে পারলাম না। মন্ত্রী মহোদয়ের অবশ্য এই সমস্ত খবর না জানার কথা নয়। মহোদয়া, এই

বিভাগের কার্য্যকলাপ সম্পর্কে কত বলব। বাজারে সিমেন্ট'র দাম ১৮০ টাকা থেকে ১৮৫ টাকা। কিন্তু ইন্দিরা আবাস যোজনায় সিমেন্ট কেনা হয়েছে ২২৫ টাকা দামে। সি আই শিট বাজারে প্রতি বান্ধ ১৮০০ টাকা কিন্তু এই বিভাগ কিনেছে ২৭০০ টাকা দরে। সমস্ত মেটোরিয়েল্স মিডিলম্যানের মাধ্যমে কেন্দ্রীয় সরকারের নির্দেশ অমান্যকরে কেনা হয়েছে। গরীব লোক কোনও সুবিধা পাচ্ছে না।

It transpires to the committee in course of discussion and sport visit that the project of Green House has not been submitted to Governing Body anywhere in the State for approval and also the process in which the construction is made is found irregular. It is also not clarified whether the rate is an approved one and if so, who has approved the rate. Except in India other countries have rejected plythine culture, where if is encouraged by politicians and bureacrats in India. The Committee therefore is of the view that the application of Green House is completely unecnomical and also not vaiable. আমি সি, এ, জিরর রিপোর্ট থেকে বলছি যে কি ভাবে এই CAG's Report No. 3 of 1999 (Civil) Govt. of Assam. Scrutiny (August-Sept 1998) of records of the Project Director, District Rural Development Agency (DRDA) Dhubri revealed that 422 sets of handlooms were received by the then Block Development Officer (BDO) Agomoni Block for implementation of IRDP - Handlooms Programme (1995-96) with the objective of upliftment of poor loomless weavers.

At the time of transfer, the BDO handed over the stock register along with 191 sets as balance 231 sets of handlooms were shown to have been distributed to the Gaon Panchayat Secretaries for onward distribution to beneficiaires. Following the complaint received from the Gaon Panchayat Secretaries an enquary was conducted by the Assistant Project Officer (Technical) where in it is found that the handlooms were neither received by the Secretaries nor distributed to the beneficiaries. The maferials costing Rs. 9.24 lakh were misappropriated by the

BDO. The BDO had been placed under suspension and FIR lodged with the police.

(ii) Further during the period from December 1995 to January 1997, an amount of Rs. 3,94 lakh was advanced by the Project Director to the BDO of Birsing Jarua Development Blocks for implementation of different schemes. The money was neither utilised in the scheme nor refunded by the BDO and the entire amount stood misappropriated. An FIR was lodged (May 1997) against the BDO for misappropriation of Govt. money. Further development awaited. এই কথাগুলি আমাদের গভীর ভাবে ভাবতে হবে। তাছাড়া ইন্দিরা আবাস যোজনার ব্যাপারে কেন্দ্রীয় সরকারের গাইড লাইন আছে যে শতকরা ৬০ ভাগ ঘর গ্রামের দরিদ্র তপশীলভুক্ত জনসাধারনের জন্য নির্দিষ্ট থাকতে হবে। কিন্তু আমরা লক্ষ্য করেছি যে হাইলাকান্দি জেলায় ৩৯-৩৫ শতাংশ ঘর কেবল তপশীল ভুক্ত সম্প্রদায়কে দেওয়া হয়েছে বাকী সমস্ত ঘর জেনারেল কেটিগরির লোক পেয়েছে। আমি মন্ত্রী মহোদয়কে অনুরোধ করব যেহেতু তিনি নিজে হাইলাকান্দি জেলা থেকে নির্বাচিত অন্ততঃ পক্ষে হাইলাকান্দি ডি আর ডিএ যেন তপশীলভুক্ত গরীব জনসাধারনের নায্য অধিকার খর্ব না করে তাদেরে যেন বঞ্চিত না করে।

মহোদয়া, গতকাল এক তারাবিহীন প্রশ্ন ৫১৪ মারফৎ এক মাননীয় সদস্য জানতে চেয়েছিলন যে আসামে কতজন সিনিয়র বিডিও, পিড়ি এপিডি (টি) আছেন এবং তাদের নাম কি? উত্তরে বলা হয়েছে সিনিয়র বিডিও আছেন ১৪৩ জন কিন্তু নাম দেওয় হয়েছে জনের বিডিওর সংখ্যা দেওয় হয়েছে ১৭৭ জন নাম উল্লেখ করা হয়েছে মাত্র ৭৬ জনের, এপিও ট্যকনিকেল এর সংখ্যা দেওয়া হয়েছে ৬০ জন - নাম এসেছে ৫৩ জনের। এটা আশ্চর্য্যের ব্যাপার যে বিভাগে যারা কাজ করছেন তাদের তথ্য সরকার কেন দিতে পারছেন না? বিভাগের যদি এই অবস্থা হয় তাহলে গরীব মানুষের উন্নয়নের কাজ করবে সেটার আশা আমরা কি ভাবে করতে পারি?

মহোদয়া, আসামের প্রত্যিটা ব্লককে ই এ এস পর্য্যায়ে আনার জন্য সরকারকে ধন্যবাদ জানাচ্ছি। কিন্তু কেবল ঢাকা আনলেই চলবে না এর ১৬ আনা বেনিফিট যাতে গ্রামের গরীব জনসাধারন পায় তার দিকে সরকারের নজর দিতে হবে। কারন কিছু অফিসার আছে যারা কেবল ব্যক্তি স্বার্থেই কাজ করছে। কিছুদিন আগে শিলচর ব্লকে

এক জুনিয়র ইঞ্জিনীয়ার ৫০ কেজির বদলে ২৫ কেজি রড ইন্দিরা আবাস যোজনায় ব্যবহার করতে চেষ্টা করেছিল। ধরা পড়ে পিটুনি খেয়ে ৫০ কেজি রড ব্যবহার করতে বাধ্য হয়েছে। তাছাড়া এই প্রকল্পে নিম্নমানের সিমেন্টও ব্যবহার করছে। তাছাড়া আই এ ওয়াই এর ঘরের নির্দিষ্ট কোনও মাপকাঠি নাই। বাশের তৈরী ঘরও শিলচরে করেছে। গভার্নিং বডির সিদ্ধান্ত হলো পাকা ঘৰ তৈরী করা। কিন্তু তা মানা হচ্ছে না। আমি মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষণ করে এই ব্যাপারে কার্য্যকরী পদক্ষেপ নেওয়াৰ জন্য অনুরোধ করছি। কারন সাধারন মানুষ এই বিভাগের কাজকর্মে ক্ষুব্ধ হয়ে আছে। তাই মন্ত্রী মহোদয় যেনগঠনমুলক দৃষ্টিভংগী নিয়ে এই বিভাগের কাজ পরিচালনা করেন যাতে গ্রামের গরীব জনসাধারন উপকৃত হয়। এই বলে আমি আমার বক্তব্য শেষ করছি।

Madam Deputy Speaker : Now, Hon'ble Member Shri Hemen Das.

* শ্ৰীহেমেন দাস ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি বিৰোধী পক্ষৰ পৰা যি ভৎর্সনা প্ৰস্তাৱ উত্থাপন কৰা হৈছে ইয়াৰ দ্বাৰা বিভাগীয় কাম কাজৰ সমালোচনা কৰা হৈছে। কিন্তু ইয়াৰ ফল আৰু বেছি হব পাৰে, কাৰণ যদি ভোটা ভোটিত প্ৰস্তাৱটো গৃহীত হয়, তেনেহ'লে গোটেই মন্ত্ৰী সভাই পদত্যাগ কৰিবলগা হব। কাৰণ সামূহিক দায়িত্ব আছে, ইয়াৰ ফল তেনেকুৱা হব পাৰে, অৱশ্যে তেনেকুৱা হোৱাৰ সম্ভাৱনা নাই। সদনত বিভাগটোৰ কাম কাজ আলোচনাত সীমাবদ্ধ হৈ থাকিব। আজি ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই ভৎর্সনা প্ৰস্তাৱ উত্থাপন কৰিছে, আমি আশা ৰাখিছো বিভাগীয় মন্ত্ৰী মহোদয়ে যথাযথ উত্তৰ দিব। অভিযোগ গুৰুতৰ। এই ৰাজ্যখনৰ উন্নয়নৰ স্বাৰ্থত আমি সকলোৱে সুচিন্তিত ভাৱে কাম কৰিব লাগিব। এটা টকাও যাতে অপচয় নহয়, সেইটোত চকু দিয়াটো মন্ত্ৰীৰ কৰ্ত্তব্য। প্ৰতিটো টকা যাতে সঠিক ভাবে ব্যৱহাৰ হয় সেইটো চোৱাও দৰ্কাৰ। এই কৰ্ত্তব্য কিমান দুৰ সফল হৈছে বা কিমান দুৰ বিফল হৈছে, উত্তৰ দিয়াৰ পিচতহে বুজিব পাৰিম। মই নিজেও বুজিব পৰা নাই, ১৩ কোটি টকা প্ৰিন্টিঙত খৰচ হৈছে, মই মানি লব পৰা নাই। কোটি টকা অপচয় হৈছে, অলপ টকা হোৱা নাই, কোটি টকা কিয় অপচয় হব পাৰে। মন্ত্ৰী মহোদয়ে নিজে কৈছে এটা প্ৰশ্নৰ উত্তৰত। যি টকা গাওঁৰ খেতিয়ক সকলৰ উন্নয়নৰ কাৰণে আছে, ৰাস্তা-ঘাট, স্কুল, দলং আদি নিৰ্মাণৰ কাৰণে খৰচ হব লাগে, তাত নহয়। কিন্তু কাগজ কিনাৰ বাবে খৰচ কৰাটো সমৰ্থন নাই। এইটো মূল কেৰোণ নহয়, মূল কেৰোণ হৈছে ৰাষ্ট্ৰীয় নীতি। আমাৰ ৰাষ্ট্ৰীয় নীতি হৈছে পঞ্চায়তৰ অধিক ক্ষমতা দিয়া। পঞ্চায়ত নিৰ্ব্বাচন কৰাৰ সময় নাই, গতিকে এই চৰকাৰখন আজি ব্যৰ্থ পঞ্চায়ত নিৰ্ব্বাচন অনুষ্ঠিত কৰিব

* Speech not corrected

নোৱাৰাটো। পঞ্চায়ত থকা হলে আজি যি প্ৰস্তাৱ আহিছে সেইটো নাহিলহেতেন। কিয় পঞ্চায়ত নিৰ্ব্বাচন কৰিব পৰা নহ'ল, চাৰি বছৰ হৈ গ'ল, এই চাৰিটা বছৰত আমি ক্ষমতা বিকেন্দ্ৰীকৰণ কৰাৰ কথা কৈছো। ৰাজ্য সমূহৰ হাতত অধিক ক্ষমতা দিয়াৰ দাবী কৰিছো। ৰাজ্য সমূহৰ ক্ষমতা নুন্যতম স্তৰলৈ নিয়া হ'ল, ৰাষ্ট্ৰ নীতি কাৰ্য্যকৰী কিয় নহল? সেইটো হব লাগিছিল। অলপতে ৰাজ্য চৰকাৰে ঘোষণা কৰিছে যে চেপ্তেম্বৰ অক্টোবৰ মাহত নিৰ্ব্বাচন হব। বেছি পলম হৈছে, আগতে হব লাগিছিল। তেতিয়া মানুহখিনিক কাম কাজৰ সুবিধা দিব পাৰিলেহেতেন। এইটো এটা ডাঙৰ ব্যৰ্থতা। আনহাতে কেইদিন মান আগতে বৰপেটা জিলাত গৰ্ভানিং মিটিংত ই, এ, এচ, ৰ টকা বিতৰণ কৰিববলৈ কয়। মই হতভম্ব হলো। যি উন্নয়ন খণ্ডত এক কোটি টকা পাইছিল তাত এইবাৰ ৪০ লাখ টকাহে পাইছে। তাত শুধিছিলো কিমান পাৰচেন্ট কমিছে। ৫৩.২৯ পাৰচেন্ট যোৱা বছৰতকৈ ই,এ,এচ,ত কমিছে। এইটো কিয় কমিল? এইটো যদি কেন্দ্ৰীয় চৰকাৰে কমাইছে তাত কেন্দ্ৰীয় চৰকাৰৰ অধিকাৰ আছে। আমাৰ ৰাজ্যখন পিচপৰা কথাটো ভাবিব নোৱাৰা কথা। চেয়াৰৰ ক্ষেত্ৰত কেন্দ্ৰৰ শতকৰা ৭৫ ভাগ আৰু ৰাজ্য চৰকাৰে শতকৰা ২৫ ভাগ দিব লাগিব। ইয়াৰ বিৰুদ্ধে মাত মাতিব লগা হৈছে। চুপ ছাপ বহি থাকিব নোৱাৰি। এযদি গাওঁ অঞ্চলত উন্নয়নৰ কাম নাইকীয়া কৰি দিয়ে তেনেহলে আমি কাৰ কাম কৰিম। গাওঁৰ যি ব্লকত আগতে এক কোটি টকা খৰচ হৈছিল তাত এতিয়া চাৰি লাখ টকাহে খৰচ হৈছে।

আমি এইবাৰ ই এ এচৰ টকা ন লাখ পাইছোঁ। আগতে কিন্তু বেছি পাইছিলোঁ। এই কথাবিলাক জটিল হৈছে। মই আশা কৰিছোঁ এই কথাবিলাক ইয়াত আলোচনা কৰাৰ পৰা মুখ্যমন্ত্ৰী মহোদয়ে যথেষ্ট গুৰুত্ব দিব। উন্নয়ন খণ্ড বিলাকৰ নিয়োগৰ কথা বিলাকো আমি চাব লাগিব। অথচ আজি নামত ই এ এচ আছে কামত নাই। কেৱল দুৰ্নীতিৰ কাৰণে এইবিলাক একো হৈ উঠা নাই। ব্লক পৰ্য্যায়ত ভিজিলেন্স কমিটি কৰা হৈছে। বি ডি অই নামত মিটিং পাতে। কিন্তু জিলাত থকা ভিজিলেন্স কমিটিয়ে একো কৰিব পৰা নাই। এইবাৰ পিএচি কমিটিয়ে কিছুকথা সংগ্ৰহ কৰিছে। গতিকে এই ক্ষেত্ৰত আমি চাব লাগিব যাতে আমাৰ নিজৰ প্ৰাপ্যৰ পৰা আমি বঞ্চিত হব নালাগে। কিছুমান কথা মুখ্যমন্ত্ৰীৰ ভিজিলেন্স চেলৰ দ্বাৰা তদন্ত হৈ আছে। বহু ক্ষেত্ৰত বহু তথ্য সংগ্ৰহ কৰিছে সেইবিলাক কাৰ্য্যকৰী কৰিব লাগিব। উপাধ্যক্ষা মহোদয়া মই আৰু বিশেষভাৱে এই বিষয়ত কব নোখোজো কিন্তু কথা বিলাক ভাল ভাৱে চলা নাই। আচলতে কাম চলাবৰ কাৰণে যি কৰ্ম্মচাৰীৰ প্ৰয়োজন সেইখিনি নাই। একোজন বিডিঅই দুটাকৈ ব্লক চলাবলগীয়া হৈছে। ফলত কাম বিলাক ক্ষতিগ্ৰস্ত হৈছে।

বিডিঅ নাই যদি নিযুক্তিৰ ব্যৱস্থা নতুনকৈ হাতত লব লাগে। দৰ্কাৰ হ'লে পদ সৃষ্টি কৰিব লাগে। নহলে দেশৰ কাম কেনেকৈ হব? অন্ততঃ প্ৰতি ব্লকত এজনকৈ বিডিঅ হব লাগে সি চিনিয়ৰেই হওক বা জুনিয়ৰেই হওক। এতিয়ালৈকে চলা কাম কাজ বিলাক নামতহে বিকেন্দ্ৰীকৰন কৰা হৈছে। কিন্তু কামত বিকেন্দ্ৰীকৰন হোৱা নাই। চিমেণ্ট, লো আদি জিলা সদৰতে কিনা হয়। সম্পূৰ্ণভাৱে বিকেন্দ্ৰীকৰন কৰিবলৈ ব্যৱস্থা লব লাগে। তেতিয়াহ'লেহে পঞ্চায়ত আইন সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰা হব। তেতিয়াহলে সময় থাকোতেই গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে ৰাষ্ট্ৰীয়নীতি আমাৰ ৰাজ্যত প্ৰয়োগ কৰা হব। মই আশা কৰিছোঁ আজি বিতৰ্কৰ পিচত বিভাগীয় আসোঁৱাহ সমূহ দুৰ কৰাৰ চেষ্টা কৰিব। ৰাষ্ট্ৰীয় নীতিত যাতে পঞ্চায়তী নিৰ্ব্বাচনৰ দ্বাৰা তিনিতৰপীয়া আইন কাৰ্য্যকৰী কৰা হব। তাৰকাৰণে এতিয়াই পদক্ষেপ লব লাগিব। আজি যি প্ৰস্তাব অনা হৈছে সেইটো অকল মন্ত্ৰীৰ বিৰুদ্ধেই নহয় চৰকাৰৰ বিৰুদ্ধেও যাব। আমি এতিয়া এই পৰিস্থিতিত চৰকাৰখনক বিদায় দিয়াত নাই। নমস্কাৰ।

Madam Deputy Speaker : Now, Hon'ble Member Shri Brindabon Goswami.

* শ্ৰীবৃন্দাবন গোস্বামী ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মই কবলৈ আৰম্ভ কৰাৰ আগতে মাননীয় সদস্য দে ডাঙৰীয়াই কোৱা কথাৰ ওপৰত কেইটামান কথা কব বিচাৰিছোঁ। নলবাৰী, বৰপেটা বা এখন ঠাইৰ ঘটনাই সামগ্ৰীকভাৱে অসমৰ ছবি নহয়। এই কথাত মই একমত হব নোৱাৰোঁ। কিয়নো এতিয়া কোনো বিভাগৰে কাম নাই। পি ডব্লিউ ডি আৰু জলসিঞ্চন বিভাগৰো কাম নাই। সকলো বিলাক টকা ডি আৰ ডি এক দিয়া হৈছে আন বিভাগৰ মানুহে অৱসৰ লব লগীয়া হৈছে। ডি আৰ ডি এত ইমান টকা হৈছে কিন্তু কোনো আন্তগাঠনি নাই। লাখ লাখ টকা আৰু বিভিন্ন আচনিৰ কাম দিয়া হৈছে আৰু এইটোৱেই সমস্যা হৈছে। সেই কাৰণে কাম বিলাক বন্ধ হৈ আছে বুলি মোৰ সন্দেহ হয়। প্ৰশ্নোত্তৰৰ সময়ত মন্ত্ৰী ডাঙৰীয়াই কৈছিল ১৯৯৬ চনৰ পৰা ২০০০ চনলৈ ই এচ আই আৰু জে আৰ ওৱাই ৰ কাৰণে দিয়া কাম বিলাক কত কিমান টকা দিয়া হৈছে, টকা কিমান দিয়া হৈছে আৰু কিমান কাম হৈছে তাৰ সঠিক বিৱৰন চৰকাৰৰ হাতত নাই কিন্তু মোৰ হাতত এই বিলাকৰ অন্ততঃ শোনিতপুৰ জিলাৰ তথ্যখিনি আছে। দাস ডাঙৰীয়াই এটা কথা ভালকৈ কৈছে যে আগতে আমাৰ টকা বাঢ়িছিল কিন্তু এতিয়া কমি আহিছে। এইটোৱে ডি আৰ ডি এ ৰ কামত আঘাট কৰিছে। বিভাগীয় ভাৱে যিটো আন্ত গঠনিৰ প্ৰয়োজন আছিল সেইটো নাই। মাত্ৰ জে ই দুজনৰ ওপৰত দায়িত্ব দিয়া হৈছে ওপৰত এজন এক্সিকিউটিভ ইঞ্জিনীয়াৰ থাকে।

---

* Speech not corrected

কিন্তু তেওঁৰ দ্বাৰা আটাইখিনি এলেকাত হাজাৰ হাজাৰ আচনি অকলে চাই দিয়াটো সম্ভৱ নহয়। খেলিমেলি হৈছে এটা পঞ্চায়তত ১০ টা আচনি দিছে। আচনিৰ কাম আৰম্ভ কৰিবলৈ লওঁতেই বৰঝুণ আহিস শিল বালি ইটা আদি নাই, ওপৰে ওপৰে আচনি কাৰ্যকৰী নহয়। তাৰোপৰি আৰু নতুন আচনি আহিবই এতিয়া। তাৰোপৰি ই এ এচৰ বহু আচনি পৰি আছে। আমি পি এ চিৰ কমিটীত পাইছোঁ। তেজপুৰ সমষ্টিত মই নিজেই আগভাগলৈ কিছু কামৰ প্লেন কৰি কৰিছোঁ। বিধায়কসকলে এইদৰে কৰিব পাৰে। হেগুলুমতো ৫০ লাখ টকা দিছে আমি তাৰে শাল দিছোঁ, সূতা দিছোঁ এই বিলাক দিবলৈ স্কীমত আছে। কিন্তু ঘৰটো দিবলৈ দিয়া নাই সেয়ে ঘৰ নাই। ই এ এচৰ পৰা দহ খনকৈ শাল আদি দি চিত্ৰলেখা সমবায় সমিতি আমি গঠন কৰি দিছোঁ লগতে ৰেজিষ্টাৰ কৰিও দিছোঁ। শাল, মেচিন দি ঠায়ে ঠায়ে গ্ৰুপ কৰি দিয়া হৈছে। ৫০০ মহিলালৈ গ্ৰুপ কৰি দিয়া হৈছে। বিধায়ক পুঁজিৰ পৰা ঘৰ কৰি দিয়াও হৈছে। মই আজি ফটোখিনি লৈ অহা নাই নহ'লে সদনত দেখুৱাব পাৰিলোহেতেন। স্বনিয়োজন আচনি কৰি শাল, সূতা দি গামোছা বৱলৈ দিয়া হৈছে। এই গামোছা বিক্ৰি কৰি যি ধন পোৱা যাব সেইটো তেওঁলোকৰ স্বাৰ্থতে সমূহীয়াভাৱে খৰছ কৰা হ'ব। তাৰোপৰি তেওঁলোকৰ ল'ৰা ছোৱালীৰ নামত বা নিজৰ নামতে চচাইটীৰ ব্যৱস্থা কৰা হৈছে। গল্ডেন ফৰেষ্টৰ নামত মধ্যপ্ৰদেশত ১০০ টকাকৈ দিয়াৰ নিচিনা প্ৰতিদাল চেগুন গছৰ কাৰণে তেনে ব্যৱস্থা আমাৰ ইয়াতো লব পাৰি। আমি তেজপুৰত তেনে ব্যৱস্থা কৰিছোঁ। এতিয়া ল'ৰাবিলাক ওলাই আহিছে। আমি কমিশ্যন গ্ৰাউণ্ড কৰিছোঁ। সুন্দৰ হৈছে। এই বিলাক ক্ষেত্ৰত চৰকাৰৰ টকা বুলি কথা নাই ৰাইজ নিজেই ওলাই আহিছে, টকাও দিছে। মন্ত্ৰী বিধায়ক সকলৰ হাতত আৰু যদি কিবা আইডিয়া আছে দিয়ক। আমি প্ৰত্যেক গাওঁ পঞ্চায়তত একোখনকৈ কবৰ স্থান কৰিছোঁ আৰু এখন গণমঞ্চ গঠন কৰিছোঁ। এই গণমঞ্চত কালচাৰেল একশ্যন চলি থাকিব স্থায়ীভাৱে। তাৰ কাৰণে ডেৰ লাখ টকা আছে। গাওঁৰ পৰা আমি বিহু আদি কৰি পইচা তুলি এই মঞ্চ তৈয়াৰ কৰিছোঁ সকলোকে ইন্‌ভলভ্ কৰিছোঁ। ১৬৩ খন ফিছাৰী কৰিছোঁ, স্কুলৰ কাম কৰিছোঁ। বৰপুখুৰী, সাতপুখুৰী, ভেৰী, জলজলী আদিত ফিছাৰী কৰা হৈছে তাৰোপৰি আমি হাৰ্টিকালচাৰো কৰিছোঁ। গ্ৰীন হাউছ বুলি শব্দ এটা এতিয়াহে শুনিছোঁ। কিন্তু তাৰ আগতেই মই এইবিলাক কাম কৰি আছোঁ। কৃষি বিশ্ববিদ্যালয়ে দহ হাজাৰ গ্ৰীন হাউছ কৰাৰ কথা শুনিছোঁ। এইটো কৃষক সকলৰ কাৰণে অতি প্ৰয়োজনীয় বস্তু। বিলাহী খেতি কৰা খেতিয়কে ডিচেম্বৰ, জানুৱাৰী, আৰু ফেব্ৰুৱাৰীত ৫০ পইচাকৈ বিক্ৰী কৰিবলগীয়া হয় প্ৰতি কেজিত। কিন্তু জুলাই মাহত ইয়াৰ দাম ২৭ টকা প্ৰতি কেজি হয়গৈ। কিন্তু তেওঁলোকে ৰাখিব নোৱাৰে। এই গ্ৰীন

হাউছত হলে খেতিয়কৰ উপকাৰ হ'ব। কাৰণ তেতিয়া আবতৰীয়া খেতি কৰিব পাৰিব। এতিয়া ইণ্ডিয়াৰ পেট্ৰকেমিকেলছৰ কথা উঠিছে কিন্তু এইটো এটা বৰ্ডেকৰে। এগ্ৰিকালচাৰ ইউনিভাৰ্চিটী কৈছে যে আপত্তি আছে। কিন্তু দেখাত তেনে আপত্তি থাকিব লগীয়া নাই। তেজপুৰ চাৰ্কিট হাউচৰ ওচৰত গ্ৰীনহাউচৰ বাবে মাটি পৰি আছে। কোনেও একো নকৰিলে মই তাতে লগাই খেতি কৰিম সকলোকে দেখুৱাম। গ্ৰীন হাউচৰ কনচেপ্তণে তেতিয়া ভাল হ'ব। এনেকৈ কৰিলে কৃষক সকল উপকৃত হ'ব। মই ইতিমধ্যে বাইশটা সাজি উলিয়াইছো। কিন্তু আই আৰ ওৱাই ৰ পৰা বনোৱা ঘৰ বিলাক বেয়া হৈছে। চাৰিদাল ৰভ থাকিবনে নে কইদাল থাকিব সেইটোলৈয়ে প্ৰশ্ন হৈছে। আচল মানুহে পাইছেনে নাই তাতো সন্দেহ আছে। আমাৰ গাভৰু ব্লকতো ঠিক ইতিমধ্যে ঠিকাদাৰে টেণ্ডাৰ দিছে। ইটা, বালি, শিল, আদি দিয়া হ'ব। বেনিফচিয়াৰীয়ে নিজে শ্ৰম দি ঘৰটো সাজি লব। নহলে ২২ হাজাৰ টকাৰে ঘৰ একো নহয়।

মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই গৰাখহনীয়া বিধ্বস্ত ৭৫ ঘৰ মানুহৰ কথা কৈছে যে এই প্ৰাক্তন চাহ বাগানৰ মজদুৰ ৭৫ ঘৰ মানুহৰ গৰাখহনীয়াৰ দ্বাৰা আক্ৰান্ত হৈছে। তেনে বিলাক মানুহৰ কথাওঁ আমি চিন্তা কৰিব লাগে। তেজপুৰতো বহুজনে বিনামূলীয়া ঘৰৰ বাবে আবেদন কৰিছে। এতিয়া মই ৭ হাজাৰ আবেদন পাইছোঁ। মই দহটা ঘৰহে দিব পাৰোঁ। আজি আশী হেজাৰ টকা এই ক্ষেত্ৰত একোৱেই নহয়। এজন জে ই য়ে বহু কাম চাব লগীয়া হয় বাবে খেলি মেলি হৈছে। সেই কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ আন্তঃ গাঠনিৰ কামটো চাব লাগে। কিয়নো মানুহৰ কাম কৰাৰ এটা লিমিটেশ্যন আছে। বিভাগীয় মানুহ কমাবৰ কথা কৈছে কিন্তু কামৰ কাৰণে যিখিনি দৰ্কাৰ সেইখিনি ৰাখিহে কথাবিলাক চিন্তা কৰিব লাগে। নহ'লে বিভাগটো ৰাইজৰ কাৰণে যেনেভাৱে গঠন কৰা হৈছে সেই উদ্দেশ্যত সফলকাম হ'ব নোৱাৰে। তাৰ প্ৰতি মন্ত্ৰী বিধায়ক আমি সকলোৱেই চকু ৰাখিব লাগিব। তেহে আচনি সমূহ ঠিক ৰূপায়িত কৰিব পৰা যাব আৰু এই উদ্দেশ্যত আবন্তিত ধন ৰাইজৰ কামত আহিব।

মাননীয়া উপাধ্যক্ষা মহোদয়া, এই খিনিতে মই এষাৰ কথা কব বিচাৰিছো যে পি ডব্লিউ ডিয়ে ৰাস্তাবিলাক কৰাৰ কাৰণে আপত্তি কৰিছে। এই কাৰণেই যে কামবিলাক সম্পূৰ্ণ হৈ নুঠে। তৰাজান ৰাস্তাটোৰ ৩৫ কিলোমিটাৰ কাম আৰম্ভ কৰা হ'ল তাত প্ৰথমবাৰ দিলে শিল আৰু বালি। সেই শিল বালিৰ কাৰণে ১০ হেজাৰ টকা খৰছ কৰিলে। সেই ৰাস্তাটো খেলৰ টপিং কৰা হৈছে। তাৰোপৰি কিছুমান ঠাই ভাগ ভাগ কৰি লৈ আৰবান এৰিয়াবিলাকত পাৰাৰ চচাইটি থকা সকলে কৰিবলৈ লৈছে।

যোৱা ৫ টা বছৰত ৩২ লাখ টকাৰ গাখীৰ বিক্ৰী কৰা হৈছে। ডি আৰ ডি এ কৰা কামবিলাক কিছু ভাল আৰু কিছু বেয়া হৈছে। কামবিলাক খেলি মেলিকৈ কৰাৰ মূল কাৰণ হৈছে আন্ত গাঠনি অভাৱ। সকলোবিলাক জিলাতে গভাৰ্ণিং বডি আছে। এই গভনিং বডিৰ সম্পূৰ্ণ ৰাইট আছে। আমিও সেইবিলাক খেলি মেলিকৈ কৰা মূল কাৰণ হৈছে আন্ত গাঠনিৰ অভাৱ। সকলোবিলাক জিলাতে গভাৰ্ণিং বডি আছে। এই গভাৰ্ণি বডিৰ সম্পূৰ্ণ ৰাইট আছে। আমিও সেইবিলাক চাব পাৰো। কংগ্ৰেছ আই দলৰ কৰ্ম্মকৰ্ত্তা সকল আছে এ,জি,পি, ৰো কৰ্ম্মকৰ্ত্তা আছে। মই অজস্ৰ ফটো লৈ আহিছো। সেইবোৰ ইয়াত দেখুৱাব পাৰিলোহেঁতেন। ডি আৰ ডি এৰ কাম কৰিবলৈ হলে সকলোবিলাক বিভাগৰ সহযোগ নোহোৱাকৈ কাম কৰা কাৰণে কামত খেলি মেলি হৈছে। ই এ এচৰ যিবিলাক কাম আছে সেইবিলাক চাবৰ কাৰণে একোখন কমিটি গঠন কৰি দিয়া হৈছে। সেই কমিটিখন সক্ৰিয় নোহোৱাৰ কাৰণে কাম বিলাক সম্পূৰ্ণ হৈ উঠা নাই। জিলাৰ ডি, চি, আৰু এ, ডি, চি সকলক আজিকালি বহুত দায়িত্ব দিয়া হৈছে। আগতে গোলোক ৰাজবংশীক দায়িত্ব দিছিল। তেওঁ সকলো ঠাইতে ঘূৰি ফুৰিছিল। কেন্দ্ৰীয় চৰকাৰে যিখন আচনি লৈছে, সেই আচনিখনত পাব্লিকে সন্দেহ কৰিছে। ই এ এচ,ৰ বহুতো কাম বেয়া হৈছে। কেন্দ্ৰীয় চৰকাৰে যিটো পলিচি লৈছে সেইটোত আটাইতকৈ উত্তৰ পূৰ্ব্বাঞ্চলৰ লোক ক্ষতিগ্ৰস্ত হব। বিহাৰ, উত্তৰ প্ৰদেশ আদি ৰাজ্য বিলাকহে উপকৃত হব। তেওঁলোকে কব যে তোমালোকে ইলেকটিফিকেচন কৰা নাই। আজি অলপ দিনৰ আগতে পি,এ,চি, আৰু বিভিন্ন কমিটি তেজপুৰকে ধৰি অন্যান্য জিলালৈ গৈছিল। যোৱা বানপানীৰ সময়ত ৰাস্তাঘাট বেয়া হৈছিল। সেই ৰাস্তাবিলাক ভাল কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ক টকা বিচৰাত তেখেতে দিব নোৱাৰিলে। যেটো ডাঙৰ ৰাস্তা বনোৱা হৈছিল তাত মাত্ৰ ২০ লাখ টকাহে দিছে। ৰাইজে ডি আৰ ডি এৰ চাৰে চাৰিলাখ টকাৰে সেই ৰাস্তাটো বনাই দিছে। বানপানীয়ে ৰাইজৰ শ শ বিঘা মাটিত যি নষ্ট কৰিলে সেইবিলাকত পাবলগীয়া ২০ লাখৰ পৰিবৰ্ত্তে চাৰে চাৰি লাখ টকাহে পাইছে। কিছুমানত ডেৰ লাখও ধন পাইছে। চেন্ট্ৰেলৰ টকাৰে অসমৰ কোনো কোনো সমষ্টিত ভাল কাম হৈছে। যিবিলাকত দি-চেন্ট্ৰেলাইজ হৈছে সেইবোৰ শোধৰোৱা হ'লে ভাল আছিল। ইয়াৰ আগতে ৯ লাখ টকা দিছিল। পি এ চি কমিটিত অপিনিয়ন দিয়া হৈছে আৰু ত লাখমান টকা আমাক দৰকাৰ হব। এই টকাখিনি কেন্দ্ৰীয় চৰকাৰৰ পৰা আনিবৰ কাৰণে মই আমাৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম।

যিবিলাক আচনি অসম্পূৰ্ণ হৈ আছে, টকা পোৱা নাই সেইবিলাকৰ কাৰণে টকা অনাৰ ব্যৱস্থা কৰক। ষ্টেট চেয়াৰ মুকলি কৰি দিব লাগে। ৰাইজৰ কল্যাণ মুলক

কামত চেনচৰ মোচন ননাই ভাল। চৰকাৰৰ যিখিনি দোষ আছে সেইবিলাক কোৱাৰ কাৰণে আজি এই সদনত সুযোগ পাইছো। যেনেতেনে বিষয়বিলাক উত্থাপন কৰিবলৈ সক্ষম হৈছো।

Madam Deputy Speaker : Now, Hon'ble Member Shri Bharat Chandra Narah.

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ ৰেচপেকটেড ডেপুটি স্পীকাৰ মেডাম, মাননীয় সদস্য ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই যিটো ভৎস্না প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো মই সমৰ্থন কৰিছো। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী শ্ৰীচহিদুল আলম চৌধুৰী এজন বিখ্যাত লোক হিচাবে পৰিগণিত হৈছে। এই বিভাগটোৰ ওপৰতে অসমৰ উন্নতি নিৰ্ভৰ কৰিছে। ই এণ্ড দি, ইৰিগেচন আৰু পি ডব্লিউ ডি ত কাৰোৰে ইন্টাৰেষ্ট নাই গ্ৰামোন্নয়নতে ৰাস্তা, জলসিঞ্চন, কৃষি আদি আশা কৰে আৰু পইচা বিচাৰে। এই ডিপাৰ্টমেন্টটো যোৱা ৩½ বছৰ বা ৪ বছৰ চেঞ্চ বিচাৰি ৰিপোৰ্ট কৰি আছে। বাতৰি কাকতত বহুতো ধৰণৰ সমালোচনা হোৱা আমি পঢ়িবলৈ পাইছো। এই বিভাগটোৰ কাম বেয়া হৈছে। ভাল কাম কৰিছে যদিও দুৰ্নীতি কৰিছে। কিন্তু চৌধুৰী ডাঙৰীয়াক সংবাদ মাধ্যমৰ যোগেদি এটা উপাধি দিছে। তেনে উপাধি আন কাকো দিয়া নাই। বাতৰি কাকতৰ যোগেদি যিটো উপাধি দিছে সেইটো উপাধি হৈছে "দুৰ্নীতি সম্ৰাট"। এই কাৰণে আমি মাননীয়া ডেপুটি স্পীকাৰ মেডাম আমাৰ এজন সদস্য বন্ধু হোৱা সত্বেও তেখেতৰ বিৰুদ্ধে ভৎস্না প্ৰস্তাৱ আনিবলগীয়া হৈছে। আমি ৰাইজৰ প্ৰতিনিধি কৰিছো। আমাৰ ৰাইজৰ ক্ষোভ এই সদনত প্ৰকাশ কৰিবলৈ সক্ষম হৈছো।

মাননীয়া উপাধ্যক্ষা মহোদয়া, কেন্দ্ৰীয় চৰকাৰে বিলো প্ৰভাৰটি লাইন ১/৪/১৯৯৯ চনতে কম্পিট কৰিবলৈ অৰডাৰ দিছিল। তেওঁলোকৰ পৰা নিউ বি,পি,এল লিষ্ট কৰিবলৈ বাৰে বাৰে অৰডাৰ আহিছে। তেওঁলোকে কৈছে যে চেঞ্চাচ হব লাগিব। ১,৪,১৯৯৯ তাৰিখৰ পৰা কেন্দ্ৰিয় চৰকাৰে চাৰি খন চিঠি দিলে কিন্তু এতিয়াও চেঞ্চাচ কৰা নাই। এতিয়া মাত্ৰ বি,পি,এল ফৰ্ম প্ৰেছত দি থৈছে। কেন্দ্ৰীয় চৰকাৰে কৈছে যে যদিহে টাৰগেট মতে চেঞ্চাচ কৰা নহয় তেন্তে তেওঁলোকে পইচা দিবলৈ বন্ধ কৰি দিব। ১/৪/১৯৯৯ চনৰ টাৰগেট মতে বি,পি, এল, ফৰ্ম ৩৭ লাখ ৯৯ হাজাৰ খনৰ দাম ১,৫৭,৩৮৪০ টকা। এতিয়া ৰুৰেল ডেভেলাপমেন্টে প্ৰতিখন ফৰ্মৰ যিটো দাম নিৰ্ধাৰন কৰিছে বিশ্বাস কৰিব নোৱাৰি। প্ৰতি খন ফৰ্মৰ যিটো দাম নিৰ্ধাৰন কৰিছে বিশ্বাস কৰিব নোৱাৰি। প্ৰতি খনত ৪ টকা ১৬ পইচাকৈ ধৰিছে। মাননীয়া উপাধ্যক্ষা মহোদয়া, এই ফৰ্মৰ মাৰ্কেটত দাম হ'ল ১ টকা ৫০ পইচা। হব

* Speech not corrected

লাগে। কিন্তু বিভাগে ফৰ্মৰ ৰেট দেখুৱাইছে ৪ টকা ১৬ পইচা। এইটো কৰাপচন নহয় নে ? এতিয়াও চেম্প্লচ আৰম্ভই কৰা নাই। ইয়াৰ ওপৰিও ই,এ,এচৰ কাৰণে এক লাখ পয়সত্তোৰ হাজাৰ পাঁচশ পঞ্চাচ ফৰ্মৰ বাবে ৪৪,৩২৫২১ টকা ধৰা হৈছে। ইয়াৰ দাম খুব বেছি ৫ টকাকৈ খনত হব লাগে কিন্তু বিভাগে পাৰ কপি ২৫ টকা ৯৯ পইচাকৈ ধৰিছে। এইটো হাউচত দিয়া হিচাব মতে কৈছো। মাননীয়া উপাধ্যক্ষা মহোদয়া; মাষ্টাৰ ৰুলৰ ফৰ্মত পাৰ কপি এটকা হব লাগে। কিন্তু বিভাগে ৩ টকা ২৯ পইচাকৈ ধৰিছে। আই, আৰ, ডি, পি চাৰ্জে ফৰ্ম এক লাখ ষাঠী হাজাৰ ইয়াৰ খৰছ পৰিব ৯,৫২২৫ টকা। হব লাগে দুটকাকৈ কিন্তু ৫ টকা ২৫ পইচাকৈ ধৰিছে। সেই কাৰণে ভৎসনা প্ৰস্তাৱ আনিছো। মাননীয় মন্ত্ৰী মহোদয়ে এই বিভাগটো নেতৃত্ব দিবলৈ ব্যৰ্থ হৈছে। ১৯৯৬ চনতে ডি, আৰ, ডি, এ ষ্টেট লেভেল ভিজিলেন্স এণ্ড মনিটৰিং কমিটি খন ড্ৰিচট্ৰিক্ট লেভেলত গঠন কৰিবলৈ কোৱা হৈছিল কিন্তু আজিলৈকে কৰা হোৱা নাই। আমাৰ লক্ষীমপুৰত মাত্ৰ এমাহহে হৈছে এই কমিটি পতা। কিন্তু ইয়াৰ বাবে ১৯৯৬ চনতে অৰডাৰ দিয়া হৈছিল। নৰ্থ বেংকত কমিচনাৰে এই মিটিং পাতিছিল তেতিয়া আমি প্ৰেচিডেন্টক এই বিষয়ে প্ৰশ্ন কৰাত কৈছিল যে ১৯৯৬ চনতে এইটো অৰডাৰ আছিল। কিন্তু আমাৰ ডিচট্ৰিক্টত কৰা মাত্ৰ এমাহহে হৈছে। মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কৈছে যে আগেয়ে ই,এ,এচৰ টকা ৭০ লাখ কৈ পাইছিল, কিন্তু এতিয়া ৩/৪ লাখ হে পায়। এতিয়া টকাটো কমিছে। শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াই কৈছে যে পপোলেচন পেটাৰ্নত টকাটো দিলে নৰ্থ ইষ্টাৰ্ন ৰিজিনত টকা দিলে কম পাব কিন্তু ৰাজস্থান, বিহাৰ আদি ঠাইত বেচি পাব। নৰ্থ ইষ্টাৰ্ণৰ অন্য ৰাজ্য বিলাকে কেন্দ্ৰিয় চৰকাৰৰ ওচৰত প্ৰটেষ্ট কৰিছে। কিন্তু আমাৰ অসমৰ পৰা মন্ত্ৰী মহোদয়ে এই কথাৰ বাবে প্ৰটেষ্ট কৰা নাই। মেঘালয়, অৰুনাচল, নাগালেণ্ড আদি ৰাজ্যই যদি প্ৰটেষ্ট কৰিব পাৰে। আমাৰ চৰকাৰে অৰ্থাৎ আপুনি কিয় নোৱাৰে? মাননীয়া উপাধ্যক্ষা মহোদয়া, আপুনি জানে ২৫ খন গাওঁ পঞ্চায়তৰ ২৫ খন গাওঁ সভা হৈছে। আৰু আই,এ,ওৱাই মিটিংত আলোচনা অনুযায়ী লিষ্ট বনোৱা হয়। ৰাস্তা ঘাট, আলি পদূলি, স্কুল বিলডিংৰ পৰা আদি কৰি। কিন্তু মিটিঙৰ পিচত ৰাতি বি ডি,ওৰ অফিচত আকৌ এখন চিক্ৰেট মিটিং হয়। আৰু তাত সকলোবিলাক সলনি হৈ যায়। আমাৰ ঘিলামৰা ঢকুৱাখানা আদি ঠাইত এনেকুৱাই হৈ আছে। লোকেল এম,এল,এ জন কংগ্ৰেছৰ হলে এনেকুৱাই হয়। এই মিটিং সকলো সচাঁ নহয়। এ,জি,পি এম,এল,এ যিখন লিষ্ট দিব সেইটো কৰিব লাগিব। মই আগতেই কৈছো যে, যিবিলাক ই,এ,এচ ব্লক আছে সেই বিলাকত চিনিয়ৰ বি,ডি,ও দিব লাগে।

এই ক্ষেত্ৰত কেন্দ্ৰিয় চৰকাৰৰ চাৰ্কোলাৰ আছে। আমাৰ বগা নদী, ঢকুৱাখানা, ঘিলামৰা আদিত কোনো দিনেই চিনিয়ৰ বি,ডি,ও নিদিলে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, এতিয়ালৈকে বগীনদীৰ বি,ডি,অ জনক ৫ বাৰ বদলি কৰা হৈছে। ঘিলামৰাৰ বি,ডি,অ জনকো ৫ বাৰ বদলি কৰা হৈছে আৰু ঢকুৱাখানাৰ বি,ডি,অ জনক ৩/৪ বাৰ বদলি কৰা হৈছে। এজন বি,ডি,অ ই আহি ক্ৰব মই দিলীপ কুমাৰ শইকীয়াৰ মানুহ।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, সেইটো লক্ষীমপুৰ জিলাত পৰে আৰু মই ধেমাজী জিলাৰ এম,এল,এ।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, সদনৰ ফালৰ পৰা বা মিনিষ্টাৰৰ ফালৰ পৰা অনুসন্ধান কৰিলে আচল কথাটো ওলাই পৰিব। আন এজন বি,ডি,অ ই আহি মই উৎপল দত্তৰ ইন্টাৰেষ্টৰ মানুহ। ঘিলামৰাত বি,ডি,অ হিচাবে কোনো এজন লক্ষৰ উপাধিৰ লোক আছে। এতিয়া জোনাইৰ বি,ডি,অ জনক ঘিলামাৰাৰৰ বি,ডি,অ হিচাপে দিছে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, একেটা ব্লকত চিনিয়ৰ বি,ডি,অ আৰু জুনিয়ৰ বি,ডি,অ হিচাবে দুজনক নিয়োগ কৰিব পাৰে। পেগুক ব্লোধহয় চিনিয়ৰ বি,ডি,অ হিচাপে দিয়া হৈছে আৰু লস্কৰক বোধহয় জুনিয়ৰ বি,ডি,অ হিচাপে নিয়োগ কৰা হৈছিল।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ পেগুক কিয় জইন কৰিবলৈ দিয়া নাই। পেগুক দিয়াৰ কাৰণে আমি আপত্তি কৰা নাই। আমি চাপোৰ্টহে কৰিছো। বগীনদী, ঘিলামৰা আৰু ঢকুৱাখানা ব্লকত বি,ডি,অ পোষ্টিংৰ ক্ষেত্ৰত মাননীয় বিধায়ক শ্ৰীদিলীপ কুমাৰ শইকীয়া আৰু মাননীয় মন্ত্ৰী শ্ৰীউৎপল দত্তই বোধহয় হস্তক্ষেপ কৰে। নহলেনো এই ব্লক কেইটাৰ অৱস্থা কিয় এনেকুৱা হৈছে? তাৰ কাৰণ হৈছে মই বিৰোধী দলৰ এম,এল,এ। ঢকুৱাখানা ব্লকৰ কিছু মোৰ সমষ্টিত পৰে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মই কিন্তু মাননীয় বিধায়ক ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াৰ সমষ্টিত সহায় কৰি আছো।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, এই বিভাগটোৰ নেতৃত্ব দিয়াত মাননীয় মন্ত্ৰী ডাঙৰীয়া বিফল হৈছে। এইটো মোৰ কথা নহয়। প্ৰতিখন বাতৰি কাকতেতেই পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন মন্ত্ৰী এই বিভাগটো নেতৃত্ব দিয়াৰ ক্ষেত্ৰত বিফল হৈছে বুলি যেনে ধৰণে প্ৰকাশ পাইছে তেনে ধৰণে আন কোনো মন্ত্ৰীয়েই বিফল হোৱা নাই।

* Speech not corrected

এই বিভাগটো হৈছে আটাইতকৈ প্ৰয়োজনীয় বিভাগ। সেই বিভাগটোৰ ক্ষেত্ৰতেই বিফল হৈছে। আজি আমি কৃষিমন্ত্ৰীৰ বিৰুদ্ধেও ভৎৰ্সনা প্ৰস্তাৱ আনিছিলো। কিন্তু সেই ভৎৰ্সনা প্ৰস্তাৱটো কিবা কাৰণত নাহিল। তথাপিতো পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰীক বাতৰি কাকত বিলাকে যেনেকৈ দূৰ্নীতিৰ সম্ৰাট বুলি অভিহিত কৰিছে ঠিক তেনেদৰে কিন্তুকৃষি মন্ত্ৰী পাটোৱাৰীৰ বিৰুদ্ধে দূৰ্নীতিৰ সম্ৰাট বুলি বাতৰি কাকত বিলাকে দিয়া নাই। শেষত মাননীয় সকলে যিটো ভৎৰ্সনা প্ৰস্তাৱ আনিছে সেইটো প্ৰস্তাৱৰ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Madam Deputy Speaker : Now, Hon'ble Member Shri Devakanta Ramchiary.

* শ্ৰীদেৱকান্ত ৰামচিয়াৰী ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি সদনত কংগ্ৰেছ দলৰ ফালৰ পৰা ৰুৰেল ডেভেলপমেন্ট বিভাগৰ বিৰুদ্ধে ভৎসনা প্ৰস্তাৱ আনিছে। তেওঁলোকে ভৎসনা প্ৰস্তাৱ উত্থাপন নকৰি যদি কোনো কনফিডেঞ্চ মোচন আনিলেহেতেন তেতিয়াহলে আমি চাপোৰ্ট কৰিলোহেতেন। আমি এই চৰকাৰখনক এটা সময়ত সমৰ্থন কৰিছিলো। সেই কথাটো মাননীয় সদস্য সকলে জানে। কিন্তু আজি আমি চৰকাৰৰ কাম-কাজ বিলাকৰ ক্ষেত্ৰত ক্ষোভিত হৈ পৰিছো। যিটো বিভাগৰ ওপৰত ভৎসনা প্ৰস্তাৱ অনা হৈছে সেই বিভাগটোতেই আটাইতকৈ বেচি টকা অহা দেখিবলৈ পোৱা যায়। এই বিভাগটোত বহুত টকা আছে কিন্তু টকা অনুপাতে যিমান কাম হব লাগে সিমান কাম হোৱা আমি দেখিবলৈ পোৱা নাই। এই বিভাগটোৰ বহুত দায়িত্ব আছে। সঠিক ভাবে খৰচ কৰি আঁচনি বিলাকৰ কাম-কাজ কৰিলে আমাৰ ৰাজ্যখনৰ কিছু হলেও উন্নতি হ'লহেঁতেন। আজি গোটেই অসমতেই যিবিলাক ডিষ্ট্ৰিক ৰুৰেল ডেভেলপমেন্ট এজেঞ্চি আছে তাৰ সভাপতি হিচাপে ডি,চি ক লৈ এখন গভাৰ্নিং বডি গঠন কৰা হৈছে। আমিও সেই বডিৰ সদস্য হৈ আছো। গভাৰ্নিং বডিৰ ফালৰ পৰা যিবিলাক পৰামৰ্শ দিয়া হয় সেই পৰামৰ্শ বিলাক আমি মানি চলা দেখিবলৈ পোৱা নাই। ওপৰৰ লেভেলৰ পৰা তলৰ লেভেললৈ কামৰ ধৰণ কৰণ আৰু অৰ্ডাৰৰ কোনো সম্পৰ্ক নাই। এইটো আমি স্পষ্ট ভাৱে দেখিবলৈ পাইছো। সেই কাৰণেই এই বিভাগটোত যেনে ধৰণে কাম-কাজ হব লাগিছিল তেনেধৰণে হোৱা নাই। মাননীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই মন্ত্ৰী, এম,এল,এ বা দলীয় সদস্যই হস্তক্ষেপ কৰাৰ যিটো কথা কৈছে সেই ক্ষেত্ৰত মই কব বিচাৰিছো যে আমাৰ তাত কিন্তু কোনো ফালৰ পৰা ইন্টাৰফেয়াৰ কৰা নাই। কিছুমানত পঞ্চায়ত চেক্ৰেটাৰী আছে আৰু কিছুমানত গাওঁ সভা আছে। কিন্তু আমাক চেক্ৰেটাৰীয়ে হস্তক্ষেপ কৰা নাই। আমাৰ

* Speech not corrected

ফালৰ পৰা আচনি বিলাকৰ লিষ্ট আমি এপ্ৰোভ কৰি দিও। কেতিয়াবা লিষ্ট এপ্ৰোভ হোৱাৰ পিচত গাওঁৰ মানুহ বা ৰাইজৰ ফালৰ পৰা দুই এটা আচনি লোৱাৰ কাৰণে কাকূতি-মিনতি কৰে। কিন্তু আচনি বিলাকৰ কাম যেনে ধৰণে হব লাগে তেনে ধৰণে হোৱা আমি দেখিবলৈ পোৱা নাই।

আজি আমাৰ এটা সময়ত জি,আৰ,ৱাই, যোজনা হৈছে, এই যোজনাৰ টকা এচ,টি,এচ,চিৰ জনসংখ্যাই চাই এই টকা বিলাক দিয়া হয়। দৰং জিলাত জে,আৰ,ৱাইৰ অতিৰিক্ত বহুত টকা আহিছে। মিটিংত সিদ্ধান্ত লোৱা হ'লযে আপোনালোকে স্কীম দিয়ক টকা আহিছে, পাব। স্কীম লৈ ইমানেই মানুহ গোট খালে যে বিৰ দি বাট নোপোৱা অৱস্থা হ'ল, স্কীম আমি দিব নোৱাৰিলো। চি,আৰ,পিয়ে লাঠি চালনা কৰিব লগা হ'ল। ১০২ জন ঠিকাদাৰে ভীজিট কৰিছে এডিশ্যনেল জে,আৰ,ৱাই আহোতে বহুত টকা পঠাইছে বুলি বাতৰিত ওলাইছে। আমি স্কীম দিলো, কিন্তু সম্পূৰ্ণভাৱে কাৰ্যকৰী নহ'ল, য'ত দুই লাখ টকা ধৰা হ'ল তাত দিলে ৫০ হাজাৰ টকা, য'ত ১ লাখ ধৰা হ'ল তাত ৫ হাজাৰ টকা ধৰা হ'ল। এইটোৰ কাৰণে পি,ডি চাচপেন্দ হ'ল সদন কমিটি গঠন কৰি তদন্ত কৰিলে কথাটো ওলাব। স্কীমত টকা দিয়া হৈছে কাম হোৱা নাই। এক লাখ টকাৰ স্কীমত ২ হাজাৰ টকাৰ বল্ডাৰ পেলাই থৈছে। বিৰোধী দলপতি চাহাবেও শুনিছে, তেখেতেও লিষ্ট দিছে কিন্তু টকা অহা নাই। স্পট ভেৰিফিকেশ্যন কৰিব লাগে, আমি খেলি-মেলি দেখিছো। বীৰেন দাসৰ সমষ্টিটো বহুত খেলি-মেলি হৈছে। অফিচাৰ সকলক এৰেষ্ট আৰু চাচপেন্দ কৰা হৈছে। চাচপেন্দ কৰিলেই একশ্যন নহয়, লাখ লাখ টকা ঘুৰাই নেপায়। তেওঁলোকে দৰমহাৰ শতকৰা ৭৫ ভাগ লৈ থাকিব, ব্যৱসায় কৰিব পাৰিব।

ওদালগুৰি সমষ্টিত এটা ব্লক আছে, ২৬টা পঞ্চায়ত আছে। কুমুদ দাস বিধায়কৰ সমষ্টিত ৩ টা ব্লক আছে। জে,আৰ,ৱাইৰ অতিৰিক্ত টকা পোৱাৰ পৰা বঞ্চিত হৈছে। ভালমতে টকাটো পালে কোনেও ভৰ্ৎসনা নিদিয়ে। সেইটো আশা ৰাখি বিভাগটো ভাল হওক, অহা দিনবোৰত যি টকা আহিব সেইবোৰৰ যেন সদ্ব্যৱহাৰ হয় এই আশা ৰাখি বক্তব্যৰ সামৰণি মাৰিলোঁ।

Madam Deputy Speaker : Now, Hon'ble Member Smti Pramila Rani Brahma.

Discussion on the Censure Motion.

* শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি এই সদনত মাননীয় সদস্যই মাননীয় মন্ত্ৰী মহোদয়ৰ বক্তব্যৰ ওপৰত যি ভৎৰ্সনা আনিছে ময়ো তাৰ পূৰ্ণ সমৰ্থন জনাইছো।

* Speech not corrected

মাননীয় উপাধ্যক্ষা মহোদয়া, আজি সকলোৱে স্বীকাৰ কৰিছে যে ডি,আৰ,ডি,এ এটা বিভাগ। যিটো বিভাগতে টকা আছে। এই বিভাগটো ৰাইজৰ প্ৰিয় বিভাগ। এই বিভাগৰ পৰা ৰাইজে নিজৰ এলেকাৰ উন্নতি কৰাটো বিচাৰে। সেই কাৰণে ৰাইজৰ যিটো প্ৰিয় বিভাগ সেইটো দুৰ্নীতিৰ উৰ্ধত থকাটো সকলোৱে বিচাৰে। এই বিভাগৰ ওপৰত যিটো অভিযোগ আনিছে কংগ্ৰেছ দলৰ পৰা সেইটো বৰ চিৰিয়াচ অভিযোগ। তাৰ সংশোধন হোৱাটো ভাল। আমি যদি ৰাইজৰ কাৰণে চিন্তা কৰো, তেন্তে ইয়াৰ সংশোধন হব লাগে। আমি বাতৰি কাকতৰ যোগেদি দেখা পাইছোঁ, কোকৰাঝাৰ জিলাত ডি,আৰ,ডি এ ভালকৈ কাম কৰিছে। অহা বছৰ ভাৰত চৰকাৰৰ ফালৰ পৰা অনুসন্ধানৰ কাৰণে যি সকল আহিছিল তেখেতসকলে গোটেই অসমত যেনে ধৰণেৰে কাম হব লাগিছিল তেনে ধৰণেৰে হোৱা নাই, কিন্তু কোকৰাঝাৰত ভাল কাম হৈছে। হ'লেও কোকৰাঝাৰৰ ডি,আৰ,ডি,এ দূৰ্নীতিৰ উৰ্ধত বুলি কব নোৱাৰো। কাৰণ বিভিন্ন সময়ত কিছুমান স্কীমৰ বিষয়ে আলোচনা পৰ্য্যালোচনা কৰি তাত বহুত দূৰ্নীতি থকাৰ কথা গম পাওঁ।

এই বিষয়ত মাননীয় সদস্য সকলে বিভিন্ন ধৰণৰ বহুত কথা কৈ গৈছে। জে,আৰ,ৱাইৰ যি ঘৰ সজা আচনি সেইটো দুখীয়া লোকৰ আচনি। বিভিন্ন ঠাইত যিসকলক দিয়া হৈছে তেওঁলোকক আমি নাজানো। কিন্তু কোকৰাঝাৰ জিলাত বাচনি কৰোতে দেখা গৈছে দুখীয়া লোক সকল হতাশ হব লগা হৈছে। ডি,আৰ,ডি,এৰ ফালৰ পৰা যি দিয়া হ'ল, দুখীয়া সকলে যেনেকৈ বিচাৰিছিল তেনেকৈ নাপালে। ইয়াৰ কাৰণটো হ'ল যিখিনি চিমেন্ট দিব লাগে সেইখিনি নিদিলে আৰু টিনপাত যদি ১৮খন দিব লাগে তাৰ ভিতৰত ১৬খনহে পায়। ২খন কম হয়। বেনিফিচিয়াৰী সকল এইদৰে বঞ্চিত হয়। সেই কাৰণে ঘৰবিলাক সম্পূৰ্ণ হোৱা দেখা নেপাওঁ।

উপাধ্যক্ষা মহোদয়া, এতিয়া পঞ্চায়ত নাই, প্ৰেচিদেন্ট নাই, সদস্য নাই, এতিয়া চেক্ৰেটৰিৰ হাতত সকলো দায়িত্ব আছে। চেক্ৰেটৰিয়ে এই ধৰণে কাম কৰি আছে। যদিহে অলপ পইচা দিয়া নহয় দুখীয়া মানুহৰ ঘৰ বনাব নোৱাৰে। সেইকাৰণে মই অনুৰোধ কৰো মন্ত্ৰী মহোদয়ে ইয়াৰ ওপৰত দৃষ্টি ৰাখিব লাগে। যাতে দুখীয়া মানুহে আই,এ,ওৱাইৰ ঘৰ পোৱাত কোনো দুৰ্নীতিত লিপ্ত হব নোৱাৰে। বি,ডি,অ আৰু মেম্বাৰ সকল যাতে দূৰ্নীতিত লিপ্ত নহয়। এই ব্যৱস্থা কৰিব লাগে। দি,আৰ,দি,এত পাৰচেচ কমিটি আছে। আমি অসমত যিটো চিমেন্ট উৎপাদন কৰো সেই চিমেন্ট তেওঁলোকে কিনা নাই। কোকৰাঝাৰ জিলাৰ চিমেন্ট ভূটানৰ পৰা কিনা হয় তাৰ বাবে আমাৰ চৰকাৰ চেল টেক্সৰ পৰা বঞ্চিত হৈছে। ভূটানৰ পৰা যাতে

চিমেন্ট কিনা নহয় তাৰ ব্যৱস্থা কৰিব লাগে। অসমতে উৎপাদিত হোৱা চিমেন্ট কিনাৰ ব্যৱস্থা কৰিব লাগে। উপাধ্যক্ষা মহোদয়া কেইবাজনো মাননীয় সদস্যই কৈছে যে, পেট্ৰল কিনাৰ নামত বহু টকা খৰচ কৰা হৈছে। তেখেত সকলে যিমান টকা খৰচ কৰাৰ কথা কৈছে আমাৰ কোকৰাঝাৰত তাতোকৈ বেছি টকা খৰচ হৈছে। ১৯৯৬-৯৭ আৰু ১৯৯৭-৯৮ চনত এই দুটা বছৰত গাড়ী মেৰামতি কৰাৰ বাবে কোকৰাঝাৰত দি,আৰ,দি,এৰ ফালৰ পৰা ৬ লাখ টকা খৰচ কৰিছে। পেট্ৰল তাতোকৈও বেছি। অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই কৈছে যে তাতোকৈ বেছি খৰচ কৰা নাই। গাড়ী মেৰামতি কৰাৰ নামত যিটো টকা খৰচ কৰিছে এইটো দুৰ্ভাগ্যজনক কথা। যোৱাবাৰ কোকৰাঝাৰ দি,আৰ,দি,এই ২ কোটি টকা পালে ই,এ,এচৰ কম পাইছিল। ১৯৯৭-৯৮ চনত যিটো টকা আহিছিল তাৰ পৰা কোকৰাঝাৰৰ পৰা যিটো ৰাস্তা ৩১ নং নেচনেল হাইওৱেত লাগিছে সেই ৰাস্তা মেৰামতি কৰাৰ বাবে ই,এ,এচৰ ফান্দৰ পৰা ১ কোটি টকা ধৰা হৈছে। ১৯৯৮-৯৯ চনত যি টকা কোকৰাঝাৰ দি,আৰ,দি,এত গৈছিল তাৰ পৰাও ১ কোটি টকা দিয়া হৈছিল। এইবাৰো বাজেটৰ পৰা ১ কোটি টকা ধৰিছে। মই প্ৰশ্ন কৰিলো যে আগৰ টকা ক'ত খৰচ কৰিলে? উত্তৰ পালো যে, আগৰবাৰৰ টকা চৰকাৰে আমাক দিয়া নাই বাবে ইয়াৰ পৰা খৰচ কৰিছো। সেইকাৰণে মোৰ সন্দেহ হৈছে বাৰে বাৰে বিত্তীয় বছৰত টকা ধৰা হৈছে অথচ আগতে যি টকা ৰিলিজ কৰিছে সেই টকা ক'ত আছে? যোৱাবাৰ বাজেটৰ সময়ত এদিশ্যনেল ফান্দ দিয়া হৈছিল কিন্তু আমি একো কাম কৰা দেখা নাই। একেটা ৰাস্তাকে বিভিন্ন নাম দি টকা লোৱা হৈছে। কোকৰাঝাৰৰ উত্তৰ ফালে যিটো পি,ডব্লিও,দি ৰাস্তা তিতাগুৰিৰ পৰা হালোৱা দলৰ ফালে গৈছে তাতগ্ৰেভেল কৰাৰ বাবে ৪ লাখ টকা ধৰা হৈছে। এইধৰণে প্ৰতি ৰাস্তাতে ৩ লাখ ৪ লাখ কৰি ধৰা হৈছে। বিধান সভা শেষ হোৱাৰ পিচত গৈ দেখো যে ৰাস্তা বিলাক গ্ৰেভেলিং হোৱা নাই। জেলিপি বনোৱাৰ দৰে শিল দিছে। এই ধৰণে ২৫ লাখৰো বেছি টকা খৰচ কৰা হৈছে। জে,আৰ,ওৱাইৰ ফান্দ আচনিত খৰচ কৰিবলৈ হ'লে গভাৰ্নিং বডিৰ এপ্ৰুভেল লাগিব। এপ্ৰুভেল নোলোৱাকৈ কাম কৰি আছে। ৫-৩-৯৯ তাৰিখে গভাৰ্নিং বডিৰ মিটিং কৰিছিল মই যাব নোৱাৰিলো আৰু এনেকৈয়ে আচনি বিলাক এপ্ৰুভ হৈ যায়। পইচা খৰচ কৰিবলৈ ১ মাহো লগা নাই। দি,আৰ,দি,এ যিহেতুকে ৰাইজৰ জনপ্ৰিয় বিভাগ এই বিভাগৰ দ্বাৰা ৰাইজ উপকৃত হব পাৰে। কিছুমান নীতি বান্ধি দিব লাগে আৰু বিভাগটো নিয়ন্ত্ৰণত ৰাখিব লাগে। মোৰ এটা চৰ্ট নটিচ প্ৰশ্ন আছিল।

মাননীয়া উপাধ্যক্ষা ঃ আপুনি শেষ কৰক। আপোনাৰ প্ৰশ্নৰ উত্তৰ আপুনি পাইছে।

* শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, ধবৰা গাৱত পুখুৰী খন্দা হৈছিলনে? কিন্তু টকা ধৰা হৈছিল কিমান অ আৰু পুখুৰীৰ পৰা কিমান মাছ উৎপাদন কৰা হৈছিল ?

মাননীয়া উপাধ্যক্ষা ঃ আপুনি উত্তৰ পাইছে।

* শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, উত্তৰ পাইছো আচৰিত ধৰণৰ উত্তৰ। যিটো পুখুৰীত পানী নাথাকে তাত ৩ কুইন্টল মাছ উৎপাদন হৈছে। বহু টকা খৰচ কৰি আচনি কৰা হৈছে যদিও ৰাইজ উপকৃত হোৱা নাই। সেইবিলাক কামৰ ওপৰত এটা তদন্ত হোৱা ভাল। এইখিনিকে কৈ মোৰ বক্তব্য মই সামৰণি মাৰিলো।

মাননীয়া উপাধ্যক্ষা মহোদয়া ঃ আমাৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিবলৈ ১ ঘন্টা সময় লাগিব বুলি কৈছে। কিন্তু তেখেতে কোৱাৰ আগতে এজন বক্তা আছে। তেখেতক মই ৫ মিনিট কবলৈ অনুৰোধ জনালো। তেখেত শ্ৰীমুনীন মহন্ত।

* শ্ৰীমুনীন মহন্ত ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি যিটো ভৰ্ৎসনা প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱৰ জৰিয়তে আমাৰ ৰাজ্যত ডি,আৰ,ডি,এ জৰিয়তে যিবিলাক কাম কাজ হৈছে তাক পৰ্য্যালোচনা কৰা আৰু মুল্যায়ন কৰাৰ এটা সুবিধা হৈছে। আমি আশা ৰাখিছো আমাৰ ৰাজ্যত এই বিভাগে উন্নয়ণমূলক কাম-কাজ দেখুৱাত কিছু সম্ভৱ হৈছে। এই ডি,আৰ,ডি,এ কাৰণে আৱন্তিত ধন যাতে সঠিক ভাৱে খৰচ হয় তাৰ কাৰণে বিৰোধি পক্ষৰ সদস্য সকলে চিৰিয়াচলি আলোচনা কৰিছে। যিবিলাক গুৰুত্বপূৰ্ণ অভিযোগ, সেই অভিযোগ সমূহৰ বিষয়ে মন্ত্ৰী মহোদয়ে নিশ্চয় তেওঁৰ উত্তৰ কব। কিন্তু আমাৰ কথাটো হৈছে অসমৰ যিবিলাক বাতৰি কাকত আছে, সেই বাতৰি কাকত সমূহত ডি,আৰ,ডি,এৰ জৰিয়তে কৰা কাম সমূহত লুণ্ঠন তাতকৈ অতিৰঞ্জিত কৰি নানা বিশেষণেৰে আক্ৰমন কৰিছে বুলি মাননীয় সদস্য সকলে উত্থাপন কৰিছে। কৰবাত কিবা দুৰ্নীতি লুণ্ঠন হৈছে অস্বীকাৰ নকৰো। কিন্তু সামগ্ৰিক ভাৱে গোটেই ৰাজ্যৰ চিত্ৰ নহয়। ডি,আৰ,ডি,এৰ জৰিয়তে গ্ৰামাঞ্চলত উন্নয়ণৰ কাম-কাজ আমি প্ৰত্যক্ষ কৰিছো। এই বিভাগৰ দূৰ্নীতি সম্পৰ্কক সংসদতে অসমৰ পৰা যোৱা সংসদি সদস্য সকলে উত্থাপন কৰিছে। কেন্দ্ৰৰ পৰা অনুসন্ধান টিমে আমাৰ ৰাজ্যলৈ আহিছে, বিভিন্ন সময়ত। তেওঁলোকে অনুসন্ধানো কৰিছে কিন্তু কোনো চেন্ট্ৰেল টিমৰো আজিলৈকে অপিনিয়ন ৰিভাৰ্চলৈ যোৱা নাই। অসমত বিভিন্ন কমিটি আছে। তাত শাসক দলৰ, বিৰোধি দলৰ সদস্য হৈ আছে। এই কমিটি সমূহে যোৱা বিধান সভাৰ কালত গ্ৰাম্য

* Speech not corrected

উন্নয়ণৰ দিশকে বেছিকৈ পৰীক্ষা কৰিছে। তেখেত সকলৰ অনুমোদন ক্ৰমেই দূৰ্নীতি পৰায়ণ বিষয়া সকলৰ শাস্তি মূলক ব্যৱস্থা লোৱা মন্ত্ৰী মহোদয়ে দেখিছো। দূৰ্নীতি সকলোতে আছে, কিন্তু এই দূৰ্নীতিৰ উৎস ক'ত এই সম্পৰ্কে আলোচনা কৰি তাৰ ৰিমেডি ক'ত চেষ্টা কৰা উচিত। আমাৰ সকলো বিধায়কে ডি,আৰ,ডিৰ গভাৰ্নিং বডিৰ সদস্য। একচন প্লেনও আমিয়ে তৈয়াৰ কৰো। গতিকে কাম কাজ সমূহ ঠিক মতে হৈছে নে নাই তাক পৰ্য্যালোচনা কৰা আমাৰে দায়িত্ব। কৰবাত যদি উন্নয়নৰ নামত দূৰ্নীতি হৈছে বিধায়ক হিচাপে আমাৰ যিটো দায়িত্ব সেই দায়িত্ব আমি পালন কৰিব লাগিব। আৰু সেইটো কৰিছো নে নাই আমি নিজকে পৰ্য্যালোচনা কৰা উচিত। ডি,আৰ,ডি এ যিবিলাক কাম কাজ কৰিছে তাত আমি ডি,আৰ,ডি,এ ৰ কৰ্ম্মী সকলৰ এটা টেনদেনচি দেখিছো যে তেওঁলোকে নিজাববিয়াকৈ কাম কৰিব বিচাৰে। কিন্তু তলৰ লেভেলত কাম বিলাক কৰাব পাৰিলে কাম বিলাক ভাল হয়। ডি,আৰ,ডি, এ যিটো পি,ডি পোষ্ট সেইটো লোভনীয় পদ। সেইটোৰ কাৰণে সকলোৰে হাহাকাৰ কৰে। সেই কাৰণে এই পদটোত একেজন বিষয়া এক ডেৰ বছৰৰ বেছি ৰাখিব নালাগে। এই পদবিটোত অৱসৰ পাবলীয়া বিষয়া দিব নালাগে। মোৰ বোধেৰে যি সকল আই,এ,এচ, প্ৰবেচনাৰ আছে যাৰ ভৱিষ্যত আছে তেওঁলোককহে নিয়োগ কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়ালো। অৱশ্যে পঞ্চায়ত নিৰ্ব্বাচন হৈ যোৱা হলে এনেকুৱা নহ'লহেতেন। পঞ্চায়ত নিৰ্ব্বাচন নোহোৱাৰ কাৰণে এই বিলাক হৈছে। ডি,আৰ,ডি, এ ফালৰ পৰা ধন আৱন্তন কৰোতে চিধা চিধি কৈ বি,ডি ওক ফান্দ দিয়া কথাটো সঠিক সিদ্ধান্ত নহয় যেন লাগে। কিন্তু ডি,চি, ৰ হস্তক্ষেপ টো বন্ধ কৰিব পাৰিলে ভাল আৰু পাৰিলে কাম বিলাক তলৰ লেভেলত কৰাব লাগে। তেতিয়া দূৰ্নীতিটো ডি,চেন্ট্ৰলাইজ হব। এজন বি,ডি,ও বা ওজন ইঞ্জিনিয়াৰক ধনী কৰাতকৈ তলৰ সকলোৰে ইয়াৰ ভাগ পাওঁক। এইখিনি পৰামৰ্শ আগবঢ়াই মই মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

Madam Deputy Speaker : Now, Hon'ble Minister, Panchayat and Rural Development is to reply.

* শ্ৰীছহিদুল আলম চৌধুৰী (মন্ত্ৰী, গ্ৰাম্য উন্নয়ন) ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় বিৰোধী দলৰ সদস্য সকলে উত্থাপন কৰা ভৰ্ৎসনা প্ৰস্তাৱৰ সংক্ৰান্তত যিবিলাক আলোচনা হৈছে সেই আলোচনাৰ উত্তৰত ডি,আৰ,ডি, এৰ ফালৰ পৰা যোৱা চাৰে তিনি বছৰত কি কি উন্নয়ণৰ কাম কৰা হ'ল তাৰ এটা ছবি দাঙি ধৰিব খুজিছো।

---

* Speech not corrected

# যোৱা চাৰি বছৰত গ্ৰামোন্নয়ন বিভাগৰ সাফল্যৰ খতিয়ানৰ এটি আবাস

১. **দুৰ্নীতিৰ অভিযোগ ঃ**

গ্ৰামোন্নয়ন বিভাগত দুৰ্নীতিৰ অভিযোগ উত্থাপিত হোৱাতো নতুন কথা নহয়। গ্ৰামোন্নয়ন কাৰ্য্যসূচী ১৯৭৯ চনত ৰূপায়ণ কৰিবলৈ লোৱাৰ কিছু বছৰ পাছৰ পৰাই এই আঁচনি সমূহ ৰূপায়ণত খেলি-মেলি তথা চৰকাৰী ধন আত্মসাৎ কৰাৰ অভিযোগ সময়ে সময়ে উত্থাপিত হৈ আহিছে। ৰাজ্য চৰকাৰৰ দৃষ্টিগোচৰ হোৱা অভিযোগ সমূহ যথাসম্ভৱ অনুসন্ধান কৰা হৈছে আৰু দোষী সাব্যস্ত হোৱাৰ পাছত বিষয়া সকলৰ বিৰুদ্ধে বিভাগীয় ব্যৱস্থা লোৱা হৈছে।

১৯৯৬ চনত আমাৰ চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ পাছত জিলা গ্ৰামোন্নয়ন অভিকৰণ সমূহ পৰিদৰ্শন কৰা হৈছিল। এই পৰিদৰ্শন টোকাত উল্লেখ থকা অভিযোগৰ ভিত্তিত কেবাজনো বিষয়াৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱা হৈছিল।

বৰ্ত্তমানলৈ ১৪৪ টা বিত্তীয় খেলি-মেলিৰ অভিযোগ গ্ৰামোন্নয়ন বিভাগৰ দৃষ্টি গোচৰ হৈছে। কিছুমান অভিযোগৰ তদন্তৰ প্ৰতিবেদন পোৱাৰ পিছত সেইবোৰ পৰীক্ষা নিৰীক্ষা কৰি কেইজনমান দোষী বিষয়াক চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে। কেইজনমান বিষয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লবলৈ সেই বিষয়াৰ মূল বিভাগক (Parent Department) অনুৰোধ কৰা হৈছে। কিছুমান বিষয়াৰ পৰা কৈফিয়ৎ তলব কৰা হৈছে। ইয়াৰোপৰি কেইজনমান বিষয়াৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ Criminal Case কৰিবলৈ জিলা আৰক্ষী অধীক্ষকক অনুৰোধ কৰা হৈছে।

এইখিনিতে উল্লেখ কৰা ভাল হব যে গ্ৰামোন্নয়ণ অভিকৰণ এটা স্বতন্ত্ৰীয়া অনুষ্ঠান। ইয়াত পৰিচালনা সমিতিয়ে কাম-কাজ ৰূপায়ণৰ ক্ষেত্ৰত সকলো সিদ্ধান্ত লয়। এই পৰিচালনা সমিতিৰ সভাত সদস্যৰূপে জিলাখনৰ সকলোবোৰ বিধায়ক আৰু সাংসদ সকল উপস্থিত থাকে। জিলা গ্ৰামোন্নয়ণ অভিকৰণত বিত্তীয় খেলিমেলি বা ৰাজহুৱা ধনৰ অপচয়ৰ অভিযোগ উত্থাপিত থাকে। জিলা গ্ৰামোন্নয়ণ অভিকৰণত বিত্তীয় খেলি-মেলি বা ৰাজহুৱা ধনৰ অপচয়ৰ অভিযোগ উত্থাপিত হ'লে মাননীয় সদস্য সকলে এই বিষয়ে বিহিত ব্যৱস্থা লোৱাৰ যথেষ্ট সুবিধা আছে।

জিলা গ্ৰামোন্নয়ণ অভিকৰণে ৰূপায়ণ কৰিবলৈ লোৱা আঁচনি সমূহ ৰাজ্য চৰকাৰে বাচনি নকৰে। এইবোৰ গণতান্ত্ৰিক পদ্ধতিত ৰাইজৰ অংশ গ্ৰহণেৰে

বিকেন্দ্ৰীকৃত ভাবে গাওঁসভাত আঁচনি আৰু হিতাধিকাৰী নিৰ্বাচন কৰা হয়। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ ভূমিকা বৰ সীমিত।

জিলা গ্ৰামোন্নয়ণ অভিকৰণ সমূহে কৰা কাম কাজৰ মূল্যাংকণ নিৰূপণ কৰিবৰ কাৰণে জিলা আৰু খণ্ড উন্নয়ণ পৰ্য্যায়ত Vigilance আৰু Monitoring Committee গঠন কৰি দিয়া হৈছে। ইয়াৰ উপৰি Public Accounts Committee, Estimate Committee, Petition Committee আদি বিভিন্ন কমিটিৰ মাননীয় সদস্য বৰ্গই বিভিন্ন সময়ত জিলা গ্ৰামোন্নয়ণ অভিকৰণৰ কামৰ পৰ্য্যবেক্ষণ কৰিয়ে থাকে।

কাৰ্য্যসূচী সমূহ ভাৰত চৰকাৰৰ পৃষ্ঠপোষকতাত ৰূপায়ণ কৰি থকা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ অনুদান জিলা গ্ৰামোন্নয়ণ অভিকৰণ সমূহে পোণ পটীয়াকৈ লাভ কৰে। এই ক্ষেত্ৰতো ৰাজ্য চৰকাৰৰ কৰিব লগীয়া বিশেষ ভূমিকা নাথাকে। এন ক্ষেত্ৰত বিভাগীয় মন্ত্ৰীজনৰ বিৰুদ্ধে অনা এই অভিযোগ সত্য নহয়।

২. **Misuse of Fund has stunned the Rural Development:**

বৰ্ত্তমানৰ চৰকাৰখনে ১৯৯৬, চনৰ মে মাহত কাৰ্য্যভাৰ লোৱাৰ পাছত গ্ৰামোন্নয়ন বিভাগত বহুক্ষেত্ৰত সফলতা লাভ কৰিছে।

ইয়াৰ কিছু উল্লেখ কৰা হ'ল —

(ক) যোৱা চাৰিটা বছৰত আমাৰ ৰাজ্যখনে যথেষ্ট কেন্দ্ৰীয় সাহাৰ্য্য লাভ কৰিবলৈ সক্ষম হৈছে। ১৯৯৬-৯৭ চনৰ পৰা

১৯৯৯-২০০০ চনলৈ ৰাজ্যখনে লাভ কৰা কেন্দ্ৰীয় সাহাৰ্য্যৰ খতিয়ান এনে ধৰণৰঃ

| বছৰ | কেন্দ্ৰৰ পৰা লাভ কৰা ধনৰ পৰিমাণ |
|---|---|
| ১৯৯৬-৯৭ | ২০২ কোটি ৩২ লাখ টকা |
| ১৯৯৭-৯৮ | ২১০ কোটি ৭৯ লাখ টকা |
| ১৯৯৮-৯৯ | ৪১০ কোটি ৬৫ লাখ টকা |
| ১৯৯৯-২০০০ | ২৭১ কোটি ৯৩ লাখ টকা |
| মুঠ ঃ | ১৪৯৫ কোটি ৬৯ লাখ টকা |

ইয়াৰ বিপৰীতে, ১৯৯১-৯২ চনৰ পৰা ১৯৯৫-৯৬ চনলৈ ৰাজ্যখনে তলত উল্লেখ কৰা ধৰণেহে কেন্দ্ৰীয় সাহাৰ্য্য লাভ কৰিব পাৰিছিলঃ

| বছৰ | কেন্দ্ৰৰ পৰা লাভ কৰা ধনৰ পৰিমাণ |
|---|---|
| ১৯৯১-৯২ | ৪৩ কোটি ৩৩ লাখ টকা |
| ১৯৯২-৯৩ | ৪৯ কোটি ২৩ লাখ টকা |
| ১৯৯৩-৯৪ | ১০৯ কোটি ৬২ লাখ টকা |
| ১৯৯৪-৯৫ | ১৬৪ কোটি ১৭ লাখ টকা |
| ১৯৯৫-৯৬ | ১৭৯ কোটি ৩১ লাখ টকা |
| মুঠ ঃ | ৫৪৫ কোটি ৬৬ লাখ টকা |

(খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰাথমিক বিদ্যালয় নিৰ্মাণৰ বাবে পোৱা অনুদানেৰে পূৰ্বৰ ৫টা বছৰত ৰাজ্যখনে ৫৫৫ খন প্ৰাথমিক বিদ্যালয় বান্ধিবলৈ সক্ষম হৈছিল। বৰ্ত্তমানৰ চৰকাৰে যোৱা চাৰিবছৰত ২০৫০ খন স্কুল নিৰ্মাণৰ ব্যৱস্থা কৰিছে।

(গ) যোৱা তিনিটা বছৰত বিভিন্ন আঁচনিৰ অধীনত কৰা কাৰ্য্যৰ খতিয়ান এনে ধৰণৰঃ

ক) সমন্বিত গ্ৰামীন বিকাশ আঁচনিৰ অধীনত ১ লাখ ২৪ হাজাৰ ৮শ ২৫ টা পৰিয়ালৰ সংস্থাপনৰ ব্যৱস্থা কৰি দিয়া হয়।

খ) ট্ৰাইচেমৰ (Trysem) অধীনত ২১ হাজাৰ ১শ ৫৪ জন যুৱকক আত্মসংস্থাপনৰ বাবে প্ৰশিক্ষণ দিয়া হয়।

গ) ডকৰাৰ (DWCRA) অধীনত অৰ্থ উপাৰ্জনৰ বাবে গাৱলীয়া মহিলাৰ ৪ হাজাৰ ৯শ ৪৭ টা দলক অৰ্থ সাহাৰ্য্য প্ৰদান কৰা হয়।

ঘ) জৱহাৰ ৰোজগাৰ আঁচনিৰ (JRY) অধীনত ৩শ ৯৮ লাখ ৪৭ হাজাৰ কৰ্ম্মদিনৰ সৃষ্টি কৰা হয়।

ঙ) ইন্দিৰা আবাস (IAY) যোজনাৰ অধীনত ৫১ হাজাৰ ৮শ ৪৫ টা গৃহ নিৰ্মান কৰি দিয়া হয়।

চ) নিযুক্ত কৰা আঁচনিৰ (MWS) ১১ হাজাৰ ৪শ ৯৩ টা নলীনাদৰ ব্যৱস্থা কৰি কৃষিৰ উন্নতি সাধনৰ বাবে পানী যোগানৰ ব্যৱস্থা কৰা হয়।

ছ) নিশ্চিত নিয়োগ আঁচনিৰ (EAS) অধীনত ৬শ ৩০ লাখ ৬ হাজাৰ কৰ্ম্মদিনৰ সৃষ্টি কৰা হয়।

জ) যোৱা তিনিটা বছৰত EAS আৰু JRY অধীনত সৃষ্টি কৰা ৰাজহুৱা সম্পদৰ খতিয়ান তলত উল্লেখ কৰা হ'ল —

২) নিশ্চিত নিয়োগ আঁচনিৰ (EAS) অধীনত ৩ হাজাৰ ১শ ৩১ টা স্কুল ঘৰ ১ হাজাৰ ৯৯ টা আঞ্চলিক ও গাওঁ পঞ্চায়তৰ ঘৰ আৰু ১শ ৭৪ টা সমূহীয়া ভৱন/স্টেডিয়াম আদি বনোৱা হয়। ইয়াৰ উপৰিও খেতিৰ উন্নতি সাধনৰ বাবে ১শ ৪৮ টা পুখুৰী ৭শ ৫৫ টা নাদ ২ হাজাৰ ৯শ ১৬ টা কৃষি বান্ধ নিৰ্ম্মাণ কৰি পানী যোগানৰ ব্যৱস্থা কৰি দিয়া হয়। উক্ত সময়ছোৱাত ৭ হাজাৰ ৭৩ টা পথ নিৰ্মাণ ও উন্নীতকৰণ কৰা হয়।

৩) আকৌ জৱহাৰ ৰোজগাৰ আঁচনিৰ (JRY) অধিনত ২ হাজাৰ ৯২ টা স্কুল ঘৰ, ৩শ ৩২ টা পঞ্চায়ত ঘৰ ৩ হাজাৰ ৬শ ১৬ টা সমূহীয়া ভৱন ৭ হাজাৰ ৪শ ৫১ কিঃমিটাৰৰ গাৰলীয়া ৰাস্তা নিৰ্মাণ কৰা হয়। খেতিৰ পানী যোগানৰ বাবে ২ হাজাৰ ৭শ ১টা পুখুৰী ৪২৫ টা কেচানাদ আৰু ১ হাজাৰ ১শ ৩১ কিঃমিঃ যোৱা ফিল্ড চেনেলৰ ব্যৱস্থা কৰা হয়। ইন্দিৰা আৱাস যোজনাৰ অধীনত ৫৬ হাজাৰ ৮ শ ৪৫ টা ঘৰ নিৰ্ম্মাণ কৰি দুখীয়া পৰিয়ালক প্ৰদান কৰা হয়। ইয়াৰ উপৰিও ৮৭ হেক্টৰ ভূমি সংৰক্ষণ আৰু ১শ ৩৫ হেক্টৰ মাটিৰ উন্নতি সাধন কৰা হয়।

৪) সদ্য সমাপ্ত বিত্তীয় বৰ্ষৰ সম্পূৰ্ণ খতিয়ান বিভিন্ন জিলাৰ পৰা ইতিমধ্যে ৰাজ্য চৰকাৰৰ হাতত পৰিছে আৰু পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে। তথাপি ফেব্ৰুৱাৰী মাহলৈকে কৰা কামৰ খতিয়ান উল্লেখ কৰা হ'ল-

৫) স্বৰ্ণজয়ন্তী গ্ৰাম স্বৰোজগাৰ যোজনাৰ (SGSY) অধীনত ২ হাজাৰ ১শ ৬৭ জন ব্যক্তিক আৰু ৫শ ১৩৪ টা দল ভিত্তিত ৰোজগাৰৰ ব্যৱস্থা কৰি দিয়া হৈছে। জৱাহৰ সমৃদ্ধি যোজনাৰ (JGSY) অধীনত ১শ ১০ লাখ ৪০ হাজাৰ কৰ্মদিনৰ সৃষ্টি কৰা হৈছে আৰু নিশ্চিত নিযোগ আঁচনিৰ (EAS) অধীনত ১শ ১৯ লাখ ২৩ হাজাৰ কৰ্মদিনৰ সৃষ্টি কৰা হয়। ইন্দিৰা আবাস যোজনাৰ (IAY) অধীনত দুখীয়া ঘৰহীন পৰিয়ালক ১৯ হাজাৰ ৮শ ২৯ টা ঘৰ নিৰ্ম্মাণ কৰি দিয়া হয়। ইয়াৰ উপৰিও ৫৬৩ টা অনুপযোগী ঘৰ উপযোগী কৰি দিয়াৰ ব্যৱস্থা কৰা হয়।

৬) এই চৰকাৰৰ দিনতে ৰাজ্যিক গ্ৰামোন্নয়ণ প্ৰতিষ্ঠান (SIRD) আৰু ইয়াৰ অধীনত থকা সম্প্ৰসাৰণ প্ৰশিক্ষণ কেন্দ্ৰ (ETC) সমূহৰ সবলীকৰণ কৰা হৈছে।

১৯৮১ চনতে প্ৰতিষ্ঠা কৰা ৰাজ্যিক গ্ৰামোন্নয়ণ প্ৰতিষ্ঠানটোৰ পূৰ্বতে কোনো উল্লেখনীয় দিশ নাছিল। এই চৰকাৰৰ দিনতে প্ৰতিষ্ঠানটোক উজ্জীবিত কৰাৰ উদ্দেশ্যে স্বায়ত্ব শাসনৰ মৰ্য্যদা দিয়া হয়। প্ৰতিষ্ঠানটোৱে ইতিমধ্যে নিজাকৈ প্ৰশাসনীয় ভৱন আৰু প্ৰশিক্ষাৰ্থীৰ বাসগৃহ নিৰ্মাণ কৰি স্থায়ী চৌহদত কামকাজ আৰম্ভ কৰিছে।

৭) বৰাক উপত্যকাৰ নিম্নখাপৰ কৰ্মী আৰু ৰাইজৰ সুবিধাৰ কাৰণে ইতিমধ্যে হাইলাকান্দিত নতুনকৈ এটা সম্প্ৰসাৰণ কেন্দ্ৰ (ETC) প্ৰতিষ্ঠা কৰা হৈছে। কাহিকুছিত থকা সম্প্ৰসাৰণ কেন্দ্ৰটোৰ নতুন প্ৰশাসনীয় ভৱন আৰু আৱাসগৃহৰ কাম আৰম্ভ কৰা হৈছে। যোৰহাট আৰু জয়সাগৰত থকা সম্প্ৰসাৰণ কেন্দ্ৰ দুটাৰ ঘৰ-দুৱাৰ, আঁচবাবৰ উন্নয়নৰ কামো হাতত লোৱা হৈছে।

ৰাজ্যিক গ্ৰামোন্নয়ণ প্ৰতিষ্ঠানে ১৯৯৮-৯৯ চনত ৫০০০ ৰো অধিক আৰু ১৯৯৯-২০০০ চনত ৮০০০ ৰো অধিক বিষয়া-কৰ্মচাৰী আৰু বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধি সকলৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে।

ভাৰতবৰ্ষৰ ভিতৰত পোন প্ৰথমবাৰৰ বাবে অসম ৰাজ্যিক গ্ৰামোন্নয়ণ প্ৰতিষ্ঠানে গ্ৰাম্য যুৱক, মহিলা, কৃষক সকলৰ আত্ম-সংস্থাপনৰ সুবিধাৰ বাবে সক্ষমতা বৃদ্ধি, নৈপুণ্যতা বৃদ্ধি আৰু প্ৰযুক্তিবিদ্যা বিষয়ক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। এই প্ৰশিক্ষণ অসম কৃষি বিশ্ববিদ্যালয়, ইয়াৰ অধীনৰ মহাবিদ্যালয় আৰু গৱেষণা কেন্দ্ৰ সমূহ, কেন্দ্ৰীয় চৰকাৰৰ সংস্থাসমূহ, বেচৰকাৰী অনুষ্ঠান আদিৰ জৰিয়তে অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত কৰা হৈছে। ৰাজ্যিক গ্ৰামোন্নয়ণ প্ৰতিষ্ঠানৰ প্ৰশিক্ষণ প্ৰাপ্ত লোকসকলে আত্ম-সংস্থাপনৰ বাবে হাতত লোৱা ব্যৱস্থাসমূহ চমুকৈ তলত উল্লেখ কৰা হ'ল ঃ —

ক) <u>চাহখেতি ঃ</u> শোনিতপুৰ জিলাৰ বিশ্বনাথ মহকুমাত, নলবাৰীৰ নাগ্ৰীজুলি আৰু তামোলপুৰ অঞ্চলত, নগাঁওৰ কলিয়াবৰ অঞ্চল, ৰহৰমপুৰ আদিত প্ৰশিক্ষণ প্ৰাপ্ত লোকসকলে চাহখেতি কৰি নিজে আত্ম-সংস্থাপিত হোৱাৰ উপৰিও আনকো নিয়োগৰ সুবিধা আগবঢ়াইছে।

খ) <u>মুৰ্গীৰ পাম ঃ</u> কামৰূপৰ ধাৰাপুৰ অঞ্চলত, নলবাৰীৰ টিহু আৰু বৰভাগ অঞ্চল আদিত যুৱক সকলে মুৰ্গীৰ পাম খুলি যথেষ্ট লাভবান হৈছে।

গ) <u>মাশ্বৰূম উৎপাদন ঃ</u> হাইলাকান্দি, মৰিগাঁও, কামৰূপ, নলবাৰী আদি জিলা সমূহত যুৱক-যুৱতী সকলে মাশ্বৰূম উৎপাদনক জীৱিকাৰ পথ হিচাপে লৈ যথেষ্ট উৎসাহৰ সৈতে কাম কৰিছে আৰু যথেষ্ট লাভবানো হৈছে। আনকি নিবনুৱা অভিযন্তা সকলে ৰাজ্যিক গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ জৰিয়তে মাশ্বৰূম উৎপাদন আত্মসংস্থাপনৰ পথ হিচাপে বাছি লৈছে।

ঘ) কৃষি ঃ কৃষক, মহিলা, যুৱক সকলে প্ৰশিক্ষণৰ পাছত অসমৰ কেবাখনো জিলাত শস্য উৎপাদন কৰি লাভবান হোৱা দেখা গৈছে। এইক্ষেত্ৰত জোনাৰাম চ'ক, কামৰূপৰ ছয়গাঁও, ৰাণী আৰু মৰিগাওঁ, লক্ষীমপুৰ জিলাৰ বিভিন্ন অঞ্চলৰ কথা উল্লেখ কৰিব পাৰি।

ঙ) ফুলৰ খেতি ঃ হাজোৰ কুলহাটী অঞ্চলত প্ৰশিক্ষণ প্ৰাপ্ত যুৱক সকলে ফুলৰ খেতি কৰি অসমলৈ আমদানিকৃত ফুলৰ পৰিমাণ হ্ৰাস কৰিছে তথা বিভিন্ন ঠাইলৈ ফুল পঠিয়াবলৈ সক্ষম হৈছে।

উল্লেখিত বিষয় সমূহৰ উপৰিও কৃষি যন্ত্ৰপাতিৰ মেৰামতি, Sericlure, Handloom Designing মৎস্য পালন, খাদ্য সংৰক্ষণ আৰু প্ৰস্তুতকৰণ আদি বিষয়ও প্ৰশিক্ষণ প্ৰাপ্ত যুৱক-যুৱতী সকলে আত্মসংস্থাপনৰ পথ বিচাৰি পাইছে।

৩) **Special Project :**

ভাৰত চৰকাৰে ৰাজ্য চৰকাৰে দিয়া প্ৰস্তাৱ অনুসৰি অসমৰ লক্ষীমপুৰ, ধেমাজী, কামৰূপ, গোৱালপাৰা, কোকৰাঝাৰ, গোলাঘাট, কাৰ্বিআংলং আৰু ধুবুৰী জিলাত মুগা সূতা, এৰি সূতা আৰু মাশ্বৰূম উৎপাদনৰ বাবে বিশেষ আঁচনিৰ অধীনত ৫ কোটিৰো অধিক টকা ইতিমধ্যে মুকলি কৰি দিছে। এই বিশেষ আঁচনিৰ অধীনত প্ৰত্যক্ষ আৰু পৰোক্ষভাবে ১০ হাজাৰ গ্ৰাম্য লোক উপকৃত হব বুলি আশা কৰা হৈছে।

(Mr. Speaker took the Chair)

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰি ভাৰত চৰকাৰে ১৯৯৯-২০০০ বিত্তীয় বৰ্ষত খেতিৰ অনুপযোগী ভূমি উন্নয়ন আঁচনিৰ (Integrated Wastelands Development Project) অদীনত নগাঁও আৰু হাইলাকান্দি জিলাৰ বাবে মুঠ ৭,৬৫,৯৬,০০০ (সাত কোটি পয়ষষ্ঠি লাখ ছিয়ান্নবৈ হাজাৰ) টকাৰ অনুমোদন জনাইছে। ইয়াৰ বাহিৰেও প্ৰায় ৯০ কোটি টকাৰ এনেধৰণৰ ১৮ টা আঁচনি প্ৰস্তুত কৰি অনুমোদনৰ বাবে ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে।

ইয়াৰোপৰি মহিলাসকলৰ উন্নতি আৰু ক্ষমতা প্ৰদানৰ বাবে বিভিন্ন আঁচনি হাতত লোৱা হৈছে। এই আঁচনি সমূহ ৰূপায়ন কৰাত UNICEF এ সহযোগ কৰিছে।

আদৰ্শগত আঁচনি (Model Village Scheme)

স্বাধীনতাৰ স্বৰ্ণজয়ন্তী উপলক্ষে হাডকোৰ সহযোগত নগাঁও জিলাৰ বৰহমপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত পুতনি চনাৰী গাওঁ আৰু হাইলাকান্দি জিলাৰ আলগাপুৰ উন্নয়ন খণ্ডৰ

অন্তৰ্গত চিপৰ সঙ্গন (খণ্ড-৩) গাওদুখনক আদৰ্শ গাওঁ হিচাবে গঢ়ি তোলাৰ বাবে প্ৰতিখনতে ৫১.০০ লাখ টকাৰ আঁচনি কৰা হৈছে।

**Poor and Weaker section of the Society in the Rural Areas have little benefit in the Department:**

গ্ৰামোন্নয়ন বিভাগে ৰূপায়ন কৰি থকা বিভিন্ন আঁচনিৰ অধীনত সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ হিতাৰ্থে যথেষ্ট কাম কৰিছে। এই বিষয়ে তলত উল্লেখ কৰা হ'ল ঃ—

১) অনুন্নত সম্প্ৰদায়ৰ মানুহৰ বাবে যোৱা ৩ টা বছৰত ৰূপায়ন কৰা আঁচনি সমূহৰ খতিয়ান তলত উল্লেখ কৰা হ'ল—

সমন্বিত গ্ৰামোন্নয়ন আঁচনিৰ অধীনত ২১ হাজাৰ ৮শ ১৩ জন ব্যক্তিৰ লক্ষ্যৰ বিপৰীতে ১৯ হাজাৰ ৪ জন ব্যক্তিক স্বনিয়োজনৰ ব্যৱস্থা কৰি দিয়া হৈছে। জৱহৰ ৰোজগাৰ অধীনত ৪৮ লাখ ৯৭ হাজাৰ জন কৰ্ম সংস্থাপনৰ লক্ষ্যৰ বিপৰীতে ৯৫ লাখ ৬৪ হাজাৰ জনক কৰ্মসংস্থাপন দিয়া হয়। আনহাতে নিশ্চিত নিয়োগ আঁচনিৰ অধীনত ৭০ লাখ ১১ হাজাৰ লক্ষ্যৰ বিপৰীতে ১শ ১৮৭ লাখ ২৮ হাজাৰ কৰ্মহীন ব্যক্তিক কৰ্মসংস্থাপন দিয়া হয়।

ইন্দিৰা আৱাস যোজনাৰ অধীনত ১০ হাজাৰ ৮শ ৫১ জন গৃহহীন মানুহক গৃহনিৰ্মান কৰি দিয়া হয়। আনহাতে মিলিয়ন ওৱেলচ স্কিমৰ অধীনত ১ হাজাৰ ৭শ ৪৯ টা কেচানাদ খান্দি দুখীয়া পৰিয়ালক খেতিৰ পানী যোগানৰ ব্যৱস্থা কৰি দিয়া হয়।

২) অনুসুচীত জনজাতিৰ সম্প্ৰদায়ৰ মানুহৰ বাবে যোৱা ৩টা বছৰত ৰূপায়ন কৰা আঁচনি সমূহৰ খতিয়ান তলত উল্লেখ কৰা হ'লঃ—

সমন্বিত গ্ৰামোন্নয়ন আঁচনিৰ অধীনত ২১ হাজাৰ ৮শ ১৩ জনৰ লক্ষ্যৰ বিপৰীতে ২৫ হাজাৰ ৮৩ জন ব্যক্তিক স্বনিয়োজনৰ ব্যৱস্থা কৰি দিয়া হয়। জৱহৰ ৰোজগাৰ আঁচনিৰ অধীনত ৪৮ লাখ ৯৭ হাজাৰৰ বিপৰীতে ১শ ১৭ লাখ ৮১ হাজাৰ জন কৰ্মহীন ব্যক্তিক কৰ্মসংস্থাপন কৰি দিয়া হয়। আনহাতে নিশ্চিত নিয়োগ আচনিৰ অধীনত ৭০ লাখ ১১ হাজাৰ জনৰ বিপৰীতে ১শ ২৮ লাখ ৯২ হাজাৰ জনক কৰ্মসংস্থাপন দিয়া হয়।

ইন্দিৰা আৱাস যোজনাৰ অধীনত ১৫ হাজাৰ ১শ ২১ জন দুখীয়া পৰীয়ালক গৃহনিৰ্মাণ কৰি দিয়া হয়। মিলিয়ন ওৱেলচ স্কিমৰ অধীনত-২ হাজাৰ ২শ ৯৯ টা খেতিৰ পানী যোগানৰ সুবিধাৰ্থে কেচা নাদ-খান্দি জলসিঞ্চনৰ ব্যৱস্থা কৰি দিয়া হয়।

মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক হ'ল আমাৰ চাৰে তিনি বছৰৰ উন্নয়নমূলক কামৰ খতিয়ান। ইয়াত আপোনালোকে এচিভমেন্টৰ কথা আলোচনা নকৰে আপোনালোকে ডি,আৰ,ডি,এক ব্যৱসায়ী সন্থা হিচাবে আলোচনা-সমালোচনা কৰিছে। আপোনালোকে ব্যৱসায়িক লাইনৰ কথা কৈছে। গ্ৰীন হাউচ কেন্দ্ৰীয় চৰকাৰৰ প'লিচি। এই সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰৰ গাইড লাইন আছে। কৃষিত ৪৫ শতাংশ খৰচ কৰিব লাগে। সেই হিচাবে কিছু অঞ্চলত ফিচাৰী, হৰ্টিকালচাৰ, চেৰিকালচাৰ কৰিবলৈ লৈছে। বিশেষকৈ অসমত গ্ৰীন হাউচৰ প্ৰয়োজন আছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ বুক লেটত আছে। পৃথিৱীৰ সকলোতে গ্ৰীন হাউচ চলি আছে। পোনতে মানুহে খেতিত সাৰ ব্যৱহাৰ কৰা নাছিল। লাহে লাহে এনেকুৱা হৈছে যে সাৰ নহ'লে খেতি নোহোৱা হৈছে। যিবিলাক ঠাইত বছৰৰ ৯ মাহে বৰষুণ হয় সেই বিলাক ঠাইত কৃষিজাত বস্তু উৎপাদন নহয়। শাক-পাচলি আদি বাহিৰৰ পৰা আনিবলগীয়া হয়। বছৰৰ কোনো এটা সময়ত সেই বিলাক ঠাইত শাক-পাচলি হয়। তেতিয়ালৈ তাত বস্তুৰ দাম কমি যায় আৰু কৃষক শ্ৰেণী লাভৱান নহয়। সেই কাৰণে গ্ৰীণ হাউচনৰ প্ৰয়োজন। আপোনালোকে গ্ৰীণ হাউচৰ পলিচিত প্ৰশ্ন কৰিছে। প্ৰিন্টিংত কিমান খৰচ কৰিছো আৰু প্ৰপাইটাৰৰ নাম কি আপোনালোকে বিচাৰিছে। প্ৰপাইটাৰৰ লগত আপোনালোকৰ সম্পৰ্ক কি? সমালোচনা কৰাটো আপোনালোকৰ এটা পৰম্পৰা। শাসক দলৰ সদস্য সকলে কৈছে যে ডি,আৰ,ডি,এত ভাল কাম হৈছে। মাননীয় সদস্য শ্ৰীবৃন্দাৱন গোস্বামী ডাঙৰীয়াইও কৈছে যে তেখেতৰ সমষ্টিটো ভাল কাম হৈছে। আমাৰ দলৰ সদস্য সকলে ডি,আৰ,ডি,এৰ কাম চলাই থকাটো বিচাৰিছে। আপোনালোকে গভাৰ্ণিং বডিৰ মিটিংত কথাবিলাক আলোচনা নকৰে। মাত্ৰ ৰাইজক সন্তুষ্টি দিয়াৰ কাৰণেহে ইয়াত প্ৰশ্ন কৰে। আনহাতে আপোনালোকৰ ডি,আৰ,ডি,এৰ ব্লক লেভেলৰ অফিচাৰৰ লগত বুজা-বুজি আছে। ৰুলিং পাৰ্টিৰ বিধায়কৰ সমষ্টিত ডি,আৰ,ডি,এৰ কাম-কাজ থিকে-থাকে চলি থকা দেখিলে আপোনালোকে প্ৰশ্ন কৰে। বিৰোধী দলৰ বিধায়ক সকলে বি,ডি,ওৰ কাৰ্য্যালয়ত বহি থাকে। (ভইচ-নাম কওঁক) নাম পিচত কম। বিধায়ক উন্নয়ন পূজিৰ যি টকা আহে তাতো বিধায়ক সকলৰ বুজা-পৰা হয়। স্কুল ঘৰ সজাৰ কাৰণে টকা দিওতে মাত্ৰ ৫ হাজাৰ টকা দি হেড মাষ্টৰৰ লগ লাগি বাকী টকা আত্মসাৎ কৰিলে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই কাম হোৱা নাই বুলি কৈছে। আমাৰ দিনত কাম কৰা হৈছে- টকা 'এলকেচন' কৰা হৈছে সেই মতে কাম বিলাক হৈছে। আপোনালোকে কথা বিলাক কওতে বিজিনেচ মাইণ্ডেড হব নেলাগে। আমি গ্ৰীন হাউচ কৰিছো আপোনালোকে সমালোচনা কৰিছে।

আমি কি কৰিলে ভাল হব আপোনালোকে সেইটো কব লাগে। কাম বিলাক আমি কোম্পানীৰ যিটো ৰেট সেই ৰেটত কাম কৰিবলৈ দিছো ইয়াত কোনো ধৰণৰ খেলিমেলি হোৱা নাই। আপোনালোকে অসমত গ্ৰীন হাউচৰ প্ৰয়োজন নাই বুলি কৈছে অসমত গ্ৰীন হাউচৰ প্ৰয়োজন আছে। আমি এটা নতুন পলিছি ললে বা আমি ঠিক মতে কাম কৰিলে তাৰ বিৰুদ্ধে আপোনালোকে বিৰোধিতা কৰে। আমি যি কাম কৰিম বুলি ডিচিচন লৈছো আমি প্ৰতিশ্ৰুতি বদ্ধ আমি সেই কাম কৰি যাম।

আপোনালোকে মঙ্গলদৈৰ কথা কৈছে, তাৰ ফাৰ্মৰ কথা কৈছে। তাত আমি এনকুৱাৰী কৰিবলৈ দিছিলো আৰু দোষী কেইজনক চাচপেণ্ড কৰা হৈছে। পি ডি ক চচপেণ্ড কৰা হৈছিল যদিও তেওঁ হাইকৰ্টৰ অৰ্ডাৰ লৈ কাম কৰি আছে। নলবাৰী বি ডি ও ক আমি ট্ৰেন্সফাৰ কৰিব পৰা নাই তেওঁ হাইকৰ্টৰ পৰা অৰ্ডাৰ লৈ থৈছে। যি বিলাক আমি কমপ্লেইন পাইছো তাৰ আমি বিহিত ব্যৱস্থা লৈছো, কমপ্লেইন নেপালে একো কৰিব পৰা নাযায়। আজি যিটো প্ৰিন্টিঙৰ কথা কৈছে, প্ৰিন্টিঙৰ ক্ষেত্ৰত পি এণ্ড এচ ডিপাৰ্টমেন্টে ৰেট ফিক্স কৰে আমাৰ তাত কৰিব লগা একো নাই, আমি আনকি কোনো ফাৰ্মৰ নাম দিয়া নাই। এইটো আজি এক বছৰ হৈ গৈছে। প্ৰিন্টিং হোৱাৰ পিচত ড্ৰিষ্টিবিচন হৈছে, সেই বিলাক চাৰ্ভে হৈছে। সেই বিলাক অভিযোগ আহিছিল আপত্তি আহিছিল। ডি আৰ ডিৰ ৰিকুইজিচন মতে এপ্ৰোভেল দিয়া হৈছে ডি আৰ ডি ই নিজে কিনে। আমাৰ জনামতে বৰ্ত্তমান চৰকাৰৰ তেনে কোনো প্ৰিন্টিং পৰি থকা নাই। চাইনবৰ্ডৰ কথা বিলাকি কৈছে সেইটো এনকুৱাৰী কৰি একচন লোৱা হৈছে। হাইলাকান্দি একচেচ এমপ্লই হৈছে বুলি অভিযোগ উঠিছে। আমি সেইটো চাইছো সেইটো আগৰ চৰকাৰৰ দিনত হৈছিল। ২৪ জন এম্‌প্লই বেছিকৈ লৈছিল তাৰ কাৰণে এতিয়া বছৰে ৩ লাখ টকাৰ লায়েবিলটি লব লগা হৈছে। মাননীয় সদস্য ডাঃ দে ডাঙৰীয়াই কৈছে- সামগ্ৰী বিলাক চেন্ট্ৰেলী কিনাৰ ওপৰত - এইটোৰ ক্ষেত্ৰত হাইকৰ্টত কেচ কৰা হৈছে, হিয়েৰিং হল ৫ হেজাৰ টকা জৰিমনা কৰিছে। এই বিলাকৰ [illegible] আছে। মাননীয় সদস্য এৰিয়া আছে। সেইবিলাক এৰিয়াৰ ডিমাণ্ড মতে [illegible] হয়। মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই কৈছে - বিভিন্ন বাতৰি কাকতত দুৰ্নীতিৰ অভিযোগ আহিছে। ডি আৰ ডি ৰ গৰিহনা চলি আছে। এই কাগজ বিলাকত কথা বিলাক সংবাদ হিচাবে নোলাই ষ্টৰী হিচাবে ওলাই। ছহিদুল আলম চৌধুৰীৰ ষ্ট - ডি আৰ ডি ত কোটি কোটি টকাৰ কেলেংকাৰী। চি এম ৰ ষ্টৰী, পাটোৱাৰী চাহাবৰ ষ্টৰী- বাতৰি কাকত বিলাকত এই এইবিলাক ষ্টৰী দিয়ে কোনো গঠনমূলক সংবাদ প্ৰকাশ নাপায়। এই বাতৰি বিলাকৰ কাৰণে আমি আমাৰ এজন মন্ত্ৰীক হেৰুৱাব লগা হ'ল- সেইজন হৈছে নগেন শৰ্মা। মন্ত্ৰী পাটোৱাৰীৰ ভাতৃক হেৰুৱাব লগা হল মন্ত্ৰী কলিতাৰ

ভাতৃৰ অপহৰণ হৈছিল। এই বিলাকে আমাৰ বহুত ক্ষতি কৰিছে - আজিৰ বাতৰি কাকতত ষ্টৰী হে দিয়ে নিউজ প্ৰকাশ নেপাই। ছহিদুল আলম চৌধুৰীৰ দুৰনীতিৰ সংবাদ ডি আৰ ডি বিভাগটোৰ কথাহে প্ৰকাশ পাই।

মাননীয় অধ্যক্ষ মহোদয়, ডি আৰ ডি ৰ যিবিলাক টকা আছে সেই বিলাক 'ডাইৰেক্ট' আহে, সেই বিলাক জিলা বিলাকলৈ যায়। দিল্লীৰ পৰা কিমান টকা আহে তাৰ 'ইনফৰমেচন' আমাক নিদিয়ে। ইমান দিনে আমি কৈ আছো - ডি আৰ ডি ৰ সদস্য আমাৰ এম এল এ সকলক দিয়া হৈছে। তেখেতসকলে সকলো কথা জানে - গাইড লাইন মতে সকলো সুবিধা দিয়া হৈছে। যদি গাইড লাইনমতে কাম কৰিব পৰা নাই তেতিয়াহলে সেইটো সলনি কৰিব লাগিব। ডি আৰ ডি ৰ চিমেন্টৰ কথা কৈছে, চি আই চিটৰ কথা কৈছে। আপোনালোকৰ দিনতে কিনা ৪৫ হেজাৰ চি আই চিট এতিয়াও পৰি আছে। এতিয়া সেই বিলাক কোনো কামত লগা নাই। ডি আৰ ডিত যি ট্ৰাঙ্ক আনিছিল তাৰ ৪৭ লাখ টকা বাকী আছে। ব্লক বিলাকত এতিয়া ট্ৰাঙ্ক পাবলৈ নাই। আপোনালোকে কৈছে পঞ্চায়ত নিৰ্ব্বাচনৰ কথা- পঞ্চায়ত নিৰ্ব্বাচন আমাৰ চৰকাৰে নকৰিলে- গাৱৰ ৰাইজে পঞ্চায়ত নিৰ্ব্বাচন বিচৰা নাই।

(সদনত হাঁহিৰ ৰোল উঠে)

অধ্যক্ষ মহোদয়, আমি এনকুয়াৰী কৰি দেখা পাইছো যে তেখেত সকলৰ সময়ত ৪৫ হেজাৰ টকাৰ ট্ৰাঙ্ক কিনিছিল। ধুবুৰী, গোৱালপাৰা আদি বিভিন্ন ঠাইত কিনিছিল। সেই বিলাক আজিও গো-ডাউনত পৰি আছে। কোনো কামত অহা নাই। আজিলৈকে ৪৭ লাখ টকা বাকী আছে। ব্লকৰ কাম ট্ৰাঙ্ক কিনা নেকি? মই নিজে এনকুয়াৰী কৰি চাইছো, ট্ৰাঙ্ক বিলাক কাগজৰ নিচিনা বনাইছে। জাড্‌জ ফিল্ডত কোটি কোটি টকা খৰচ কৰি মিটিং পাতিছিল। তেনেকৈ টকা অপচয় কৰিছিল। আজি আমাৰ চৰকাৰ খনৰ চাৰে তিনি বছৰ হৈছেহে - (সদনত গন্দোগোল) যোৱা পাচ বছৰত আপোনালোকে যি দুৰ্নীতি কৰিছিল, সেই বিলাক মানুহৰ মনত ভাব সোমাই গৈছে, মানুহে ভয় খায় - সেইটো আকৌ আহিছে নেকি? কিন্তু আমাৰ চৰকাৰৰ ওপৰত তেনে কোনো ভাব নাই। মই বহুত জিলা ভিজিট কৰিছো। আপোনালোকে ইয়াতহে কয় যে পঞ্চায়ত ইলেকশ্বন লাগে, কিন্তু বাহিৰত নালাগে বুলি কয়। আপোনালোকে কৈছে যে আমি ইলেকশ্বন নকৰাৰ কাৰণে চেন্ট্ৰেলে টকা কাটি দিছে। কেন্দ্ৰীয় চৰকাৰে টকা ৰিলিজ কৰিছে, কটা নাই, টকা আহি আছে। ডি,আৰ,ডি,এ,ৰ টকা গাওঁৰ ব্লকত গৈছে। গাওঁৰ মানুহে সেইটো খাই আছে। গাওঁৰ মানুহে খাইছে, বাহিৰৰ মানুহে খোৱা নাই। কিন্তু আপোনালোকে বাহিৰৰ মানুহক খাবলৈ দিছিল।

এতিয়া আমাৰ মানুহে খইছে। টকা কম হোৱা নাই, টকা আহি আছে। আমাৰ মাননীয় জ্যেষ্ঠ সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই ই,এ,এচ, ত টকা কমাই দিয়া হৈছে বুলি কৈছে। ই,এ,এচ স্কীমৰ টকা কমা নাই। আগতে যি ধৰণে আছিল এতিয়া তেনেকৈ নহয়, জনসংখ্যাৰ ভিত্তিত দিয়া হয়। ইয়াৰ টকা ডাইভাট কৰা হৈছে। সেই কাৰণে আমি বহুত স্কীম লৈছো। আগতে এনেকুৱা স্কীম লোৱা দেখুৱাব পাৰিব নে। আমি গ্ৰীণ হাউচ লৈছো, ফিচাৰী লৈছো, পাৱাৰ টিলাৰ লৈছো। আমি কাক কেনেকৈ দিছো সেইটো লিষ্ট চাব পাৰে। এই ক্ষেত্ৰত আপোনালোকৰ যি মনোভাব আছে সেইটো পৰিবৰ্ত্তণ কৰক।

অধ্যক্ষ মহোদয়, এই বিষয়ে যোৱা পাচ বছৰে বাতৰি কাকত লিখিছে, বহুতৰ কথাই লিখিছে। আমি সেই বিলাক কেয়াৰ নকৰো। কাৰণ ৰাইজে আমাক তেওঁলোকৰ প্ৰতিনিধি কৰি পঠিয়াইছে। আমি ভাল কাম কৰিছো যেতিয়া বাতৰি কাকতত লিখিলেও একো কৰিব নোৱাৰে। আমাৰ মাননীয় মন্ত্ৰী শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, নগেন শৰ্ম্মা কেবাজনৰ বিষয়ে বহুত কথাই লিখিছে, ষ্টৰি লিখিছে। এই ক্ষেত্ৰত কোনো নিয়ম নাই, লিফ্‌লেট আগতে ওলাইছিল যদি সেইটো বন্ধ হৈ গৈছে। আমাৰ বিভাগত যদি কিবা ইলিগেল হৈছে তেতিয়া হলে তাৰ স্পেচিফিক তথ্য দিয়ক। টকা মই দিছো আপোনালোকৰ নিচিনা ডেপুটী চেক্ৰেটাৰীৰ দ্বাৰা আমাৰ বিভাগে কৰা নাই। আমি প্ৰত্যেক জিলাতে পাৰ্চেজ কৰিছো। চৰকাৰক শতকৰা ৪০ ভাগ দিয়া হৈছে, আমি সেই টকা খৰচ কৰিছো। ৰাইজৰ ইন্টাৰেষ্টৰ কাৰণে কৰিছো। সেই কাৰণে আপোনালোকে বিজিনেছ মনোবৃত্তি লৈ যি কাম কৰিছে, সেই বিলাক বাদ দিয়ক। সঠিক ভাৱে কাম কৰক। আপোনালোকে বি,ডি,অ,ৰ লগত বুজা পৰা কৰি সেই বিলাক সদনত ধৰে। আপোনালোকে ডি,চি,ক ধৰিব, তাৰ পিচত আমাক কব। আপোনালোকে বুজা পৰা বাদ দি ডি,আৰ,ডি,এ,ৰ কাম ভালকৈ কৰক। বাতৰি কাকতৰ দ্বাৰা এই বিলাক ষ্টৰি শুনাই আপোনালোকে সদনক মিচলেট কৰিছে।

অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াক চেলেঞ্জ জনাইছো, যদি এই কথা বিলাক সত্য হয় তেতিয়া হলে মই অতি সোনকালে ব্যৱস্থা লম, আৰু যদি সচা নহয় তাৰ কাৰণেও ব্যৱস্থা গ্ৰহণ কৰিম। মই সকলো কথাই চাম, যি বিলাকগঠন মূলক পৰামৰ্শ আগবঢ়াইছে তাৰ কাৰণে ভাল পাইছে আৰু যিবিলাক ব্যৱসায়িক মনোভাবেৰে কথা কৈছে সেই বিলাক বাদ দিয়ক। আমাক কিমান টকা দিছে, কেনেকৈ বেছিকৈ টকা আনিব পাৰি সেইটো চাব লাগে। মই কেন্দ্ৰত টকা আনিবলৈ গ'লে টকা বাঢ়িহে যায় কমি নেযায়। মোৰ বিৰুদ্ধে ১৩ জন এম,পি,য়ে

বিভাগটোক সমালোচনা কৰি কেন্দ্ৰত অভিযোগ দিছিল। কিন্তু সেই টকা এক সপ্তাহৰ ভিতৰতে ৰিলিজ কৰি দিছে আৰু কৈছে যদি টকা লাগে বেছিকৈ দিম।

অধ্যক্ষ মহোদয়, যিবিলাক মানুহ গাওঁত থাকিব, সেই বিলাক ৰাইজে আমাক বেয়া নেপায়। এই বিভাগটোৰ উন্নতিৰ কাৰণে ৰাইজক বুজাবলৈ আপোনালোকে চেষ্টা কৰক। আপোনালোকে জানে যে নাবাৰ্ডৰ পৰা লোন দিয়ে। এই ক্ষেত্ৰত আপোনালোকে বিধিপঠালি দিয়ে। এই বিলাক বাদ দিয়ক, ব্যৱসায়িক মনোভাব বন্ধ কৰক, আমাৰ লগত সহযোগ কৰক। এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, যদি প্ৰমাণ থাকে তেনেহলে দিব লাগে। এইটো ডি-এচ পাবলিকেশ্বনত বিশ লাখ টকাৰ কাম হৈছে। তাৰ উপৰিও পোন্ধৰ বিশ লাখ টকাৰ কাম হৈছে বিভাগত। এই কামটোৰ তদন্তও বিভাগীয় মন্ত্ৰীয়েই কৰিব লাগিব। উপাধ্যক্ষ মহোদয়া, মই উইদ্ৰ কৰিব পাৰো কিন্তু এইটো কিমান দূৰ দুৰ্নীতি হৈছে এইটো চি বি আইৰ দ্বাৰা তদন্ত কৰিব লাগে।

* শ্ৰীছহিদুল আলম চৌধুৰী (পঞ্চায়ত মন্ত্ৰী) ঃ ১৯৯১ চনৰ পৰা চিবিআইৰ তদন্ত হব লাগে।

* শ্ৰীগৌতম ৰয় ঃ এইটো চি বি আইৰ তদন্ত হব লাগে।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মন্ত্ৰী মহোদয়ে কৈছে ১৯৯১ চনৰ পৰা তদন্ত হব লাগে। মই মানি লৈছো। হব লাগে। I am not going to withdraw.

Mr. Speaker : I now, put the Censure Motion before the House, The Censure Motion is that -

"The House do now Censure the Minister i/c Rural Develpoment.

The Motion is brought for the following reasons -

1. Unabated rampant corruption is going on in this department.
2. Misuse of funds allotted in this department has stunted the rural development.
3. Poor and weaker section of the society in the rural areas have little benefit out of this department.

Those who are in favour, say, 'Ayes'.

Those who are against, say, 'Noes'

* Speech not corrected

'Noes' have it, 'Noes' have it, 'Noes' have it.

The Censure Motion is lost.

* Shri Chandra Mohan Patowary (Minister, Agriculture) : Mr. Speaker, Sir, actually one Censure Motion was moved against me also. Whatever may be the reason, it was cancelled. Had it come, I would have been very happy to give reply on behalf of Agriculture Department. Anyway, I have accepted your ruling. Today also, Mr Bharat Narah mentioned about Censure Motion brought against me.

(Pandomonium)

VALEDICTORY SPEECH

Mr. Speaker : It was not my ruling. The House got the approval. It was decision of the House. So, if Minister desires he can distribute.

(Statement of the Minister of Agriculture was distributed)

নতুন শতিকাৰ অসম বিধান সভাৰ প্ৰথমখন অধিবেশন যোৱা ৮-৩-২০০০ তাৰিখে আৰম্ভ হৈ সৰ্ব্বমুঠ ১৬ দিন অধিবেশনৰ কাৰ্য্যক্ৰমণিকা চলাৰ অন্তত আজি ৭-৪-২০০০ তাৰিখে অধিবেশনৰ সমাপ্তি ঘটিছে। এই অধিবেশনতে ২০০০-২০০১ চনৰ অসম চৰকাৰৰ বাজেট গৃহীত হোৱাৰ উপৰিও কেবাখনে গুৰুত্বপূৰ্ণ বিধেয়ক গৃহীত কৰা হয় আৰু সদনত ভালেমান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা চলে।

চকুৰ চিকিৎসা সংক্ৰান্তত মই অধিবেশনৰ আৰম্ভণিতে কেইটামান দিন ৰাজ্যৰ বাহিৰত থাকিবলগীয়া হোৱাত আৰু চিকিৎসকৰ পৰামৰ্শমতে বিশ্ৰাম লৈ থাকিবলগীয়া হোৱাত এইবাৰৰ সদন পৰিচালনাৰ অধিকাংশ সময়তে মই অংশ লবপৰা নাছিলো। অসমৰ বিধান সভাৰ মাননীয় উপাধ্যক্ষা শ্ৰীমতী ৰেণুপমা ৰাজখোৱাই অতি দক্ষতাৰে সদন পৰিচালনাৰ কাম সম্পন্ন কৰাৰ বাবে মই তেখেতৰ ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিলো। অধিবেশনৰ কেইদিনৰ কাৰ্য্যসূচী সুকলমে পৰিচালিত হোৱাত সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া, মন্ত্ৰীসভাৰ মাননীয় মন্ত্ৰীসকল, বিৰোধী দলৰ দলপতি শ্ৰীচিলভিউচ কন্দপান ডাঙৰীয়া আৰু বিধান সভাৰ মাননীয় সদস্যসকললৈ মই কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

---

* Speech not corrected

সদন পৰিচালনাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে মাননীয় বিধায়ক সভাপতি সকলৰ প্ৰতি আমাৰ ধন্যবাদ জ্ঞাপন কৰা হ'ল।

সদনৰ কাম-কাজ নিয়াৰিকৈ সম্পন্ন কৰাত সহায় কৰাৰ বাবে অসম চৰকাৰৰ মুখ্য সচিবকে ধৰি বিষয়া কৰ্ম্মচাৰী সকল, নিৰাপত্তাৰ দায়িত্ব সুচাৰু ৰূপে সম্পন্ন কৰা আৰক্ষী বিভাগৰ বিভিন্ন পৰ্যায়ৰ বিষয়া কৰ্ম্মচাৰীসকল, সাংবাদিক বন্ধু বান্ধৱীসকল, দূৰদৰ্শন, আকাশবাণীৰ বিষয়া কৰ্ম্মচাৰী সকললৈ অসম বিধান সভাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰা হ'ল।

সদন পৰিচালনাৰ ক্ষেত্ৰত দিনে নিশাই আগবঢ়োৱা সেৱাৰ বাবে অসম বিধান সভাৰ সচিবকে ধৰি সকলো পৰ্য্যায়ৰ বিষয়া কৰ্ম্মচাৰীৰ প্ৰতি আমাৰ ধন্যবাদ থাকিল। অসম বিধান সভাৰ সাংবিধানিক পৰম্পৰা আৰু মৰ্য্যদা অটুট ৰাখি চলিত অধিবেশনৰ সকলো কাৰ্য্যসূচী সফলতাৰে সম্পন্ন কৰিব পৰাৰ বাবে মই পুনৰবাৰ আটাইলৈকে ধন্যবাদ জ্ঞাপন কৰিলো। এই সুযোগতে সদনৰ মাননীয় সদস্য সকললৈ আগন্তুক ৰঙালী বিহুৰ শুভেচ্ছা আৰু ওলগ জনালোঁ।

Now, the House stands adjourned sine-die.

## Adjournment

The House then stood adjourned Sine-die at 8.40 P.M.

Dispur
The 7th April, 2000

D.Talukdar
Secretary
Assam Legislative Assembly.